


# মাৰ বাৰে লিখিব নোৱাৰা কবিতাবোৰৰ কবিতা

**মানস প্ৰতিম দত্ত**

# মাৰ বাবে লিখিব নোৱৰা
# কবিতাবোৰৰ কবিতা

মানস প্ৰতিম দত্ত

এনভাইৰণ টকচ্
অধ্যয়ন, সংৰক্ষণ, সজাগতা

**MAAR BABE LIKHIBO NUWORA**
**KABITABORAR KABITA**
*A collection of Assamese Poem by*
*Manash Pratim Dutta and Published by*
*Environ Talks, Dhemaji, Assam.*
**First Edition** ঃ January 2024 **Price** ঃ 120/- Only

**মাৰ বাবে লিখিব নোৱৰা কবিতাবোৰৰ কবিতা**
মানস প্ৰতিম দত্ত

ISBN ঃ 978-93-6076-292-6
প্ৰচ্ছদ সজ্জা ঃ হোমেন শইকীয়া
প্ৰচ্ছদৰ আলোকছবি ঃ মা (প্ৰয়াত লক্ষীমাই দত্ত)
অলংকৰণ ঃ কবি
প্ৰকাশক ঃ মানস প্ৰতিম দত্ত
এনভাইৰণ টকচ্, মাছখোৱা
ধেমাজি, অসম।
E-mail : environtalk@gmail.com
Website : www.manashpratimdutt.wordpress.com
✆ ৮৮১২০৯৭৭১৬
© ঃ কবি
আৰ্হি পাঠ আৰু কবিতা নিৰ্বাচন ঃ চুনা কুমাৰ পাঠৰী
কণ্ঠ ঃ জোনাক বৰযুণ মৰাণ, জিতেন কলিতা, ঋতু মেধি, আইমুনু, বিকাশ দিহিঙীয়া
কাৰ্টুন ঃ নিতুপৰ্ণ ৰাজবংশী
স্কেচ ঃ ইণ্টাৰনেট

মূল্য ঃ ১২০.০০ টকা

মুদ্ৰক ঃ এনভাইৰণ টকচ্, মাছখোৱা

*লেখক অথবা প্ৰকাশকৰ লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশৰে কোনো ৰূপত ব্যৱহাৰ বা প্ৰতিলিপি কৰিব নোৱাৰিব, কোনো যান্ত্ৰিক উপায়েৰে (গ্ৰাফিক, বৈদ্যুতিন অথবা অন্য কোনো মাধ্যম, যেনে– ফটোষ্টেট, টেপ বা পুনৰুদ্ধাৰৰ সুযোগ সম্বলিত তথ্য সঞ্চয় কৰি ৰখাৰ কোনো পদ্ধতি) প্ৰতিলিপি কৰিব নোৱাৰিব, অথবা যিকোনো ডিস্ক, টেপ, পাৰ্ফোৰেটেড মেডিয়া বা কোনো তথ্য সংৰক্ষণৰ যান্ত্ৰিক পদ্ধতিৰে ব্যৱহাৰ কৰিব নোৱাৰিব। এই চৰ্ত উলংঘন কৰিলে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।*

**মাৰ পবিত্ৰ স্মৃতিত**

প্ৰকৃতিৰ হকে নীৰৱে কাম কৰি থকা

প্ৰতিজন সেউজ কৰ্মীৰ হাতত

**মাৰ বাবে লিখিব নোৱৰা**

**কবিতাবোৰৰ কবিতা**

অৰ্পণ কৰিলোঁ।

# মই ঋণী

দেউতা গোবিন দত্ত, ভাইটি নয়ন দীপ দত্ত, পৰেশ ভূঞা, মৃদুল শৰ্মা,
ড° কমল কুমাৰ তাঁতী, ৰুদ্ৰ সিংহ মটক,
চুনা কুমাৰ পাঠৰী, নিতুপৰ্ণ ৰাজবংশী, জোনাক বৰষুণ মৰাণ,
জিতেন কলিতা, ঋতু মেধি, আইমুনু,
বিকাশ দিহিঙ্গীয়া, ৰাজ কুমাৰ শৰ্মা, মনতৃষ্ণা,
হোমেন শইকীয়া, ৰূপজ্যোতি শইকীয়া, নিৰ্মল কোচ,
বৰপাক জিয়ামৰীয়া প্ৰাথমিক বিদ্যালয়, বৰপাক মধ্য ইংৰাজী বিদ্যালয়,
মাছখোৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়,
এ ডি পি কলেজ, কাইজেন একাডেমি,
ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰপাক, মাছখোৰা,
চিলাপথাৰ, ধেমাজি, নগাঁও,
ঢকুৱাখনা, আৰু মোৰ প্ৰিয় পাঠক।



# নঙলামুখত

সাম্প্ৰতিক সময়ত জলবায়ু পৰিৱৰ্তন, বনাঞ্চল ধ্বংস, বন্যপ্ৰাণীৰ জীৱন হানি আদিয়ে বাতৰিৰ শিৰোনাম দখল কৰা পৰিলক্ষিত হয়।পৰিৱেশ সুৰক্ষাৰ হেতু আমি নৈতিকভাৱে প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হোৱা উচিত। পৰিৱেশৰ প্ৰত্যেক উপাদানৰে আমাৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ আছে। গতিকে মানুহ এই উপাদানসমূহৰ প্ৰতি দায়িত্বশীল নহ'লে ভৱিষ্যত অন্ধকাৰ পূৰ্ণ হৈ পৰিব। বিভিন্ন সময়ত মানুহে ন্যস্ত স্বাৰ্থ সিদ্ধিৰ বাবে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ চলাই আহিছে। এই অত্যাচাৰৰ পৰা মুক্ত হ'বলৈ, প্ৰকৃ তিক সুৰক্ষিত কৰি ৰখাটো আমাৰ কৰ্তব্য।

মানুহ প্ৰকৃতিৰ এক উপাংশহে। সেয়েহে মানুহ প্ৰকৃতিকেন্দ্ৰিক মতবাদসমূহৰ প্ৰতি দায়িত্বশীল হ'বই লাগিব। আমাৰ দেশৰ সংস্কৃতিয়ে আমাক মূল্যবোধৰ শিক্ষা প্ৰদান কৰে। পৃথিৱীৰ প্ৰত্যেক সমলৰে মূল্য আছে। সমল এটাৰ প্ৰয়োজনীয়তা আৰু সমাজৰ প্ৰতি থকা অৱদানৰ ওপৰত ভিত্তি কৰি এই মূল্য নিৰ্ধাৰণ কৰা হয়। এনে মূল্য আচলতে সমাজ অথবা পৃথিৱীৰ প্ৰতি সমল সমূহে আগবঢ়োৱা সেৱামূল্য। পশ্চিমীয়া দেশসমূহৰ তুলনাত আমাৰ দেশৰ পৰিৱেশ নৈতিকতা আৰু মূল্যবোধৰ ধাৰণাৰ প্ৰতি দায়বদ্ধতা অধিক। উদাহৰণস্বৰূপে, আমাৰ দেশত নদ-নদীক মাতৃ হিচাপে, গছ-গছনিক পূজনীয় হিচাপে পূৰ্বৰেপৰা সন্মান কৰি অহাৰ বিপৰীতে পশ্চিমীয়া দেশত নদীয়ে

দিয়া পানী, গছে দিয়া খাদ্য, জীৱ-জন্তুৱে দিয়া মাংস আদিৰ ওপৰত নিৰ্ভৰ কৰিহে মূল্য প্ৰদান কৰা হয়, অৰ্থাৎ পশ্চিমীয়া দেশৰ মূল্যবোধৰ হিচাপ অৰ্থনৈতিক লাভালাভ নিৰ্ভৰ হোৱাৰ বিপৰীতে আমাৰ দেশৰ মূল্যবোধ হ'ল সামগ্ৰিক মূল্যবোধ। সেয়েহে বৰ্তমান প্ৰতিযোগিতামুখী মানসিকতাৰ মাজত আৱদ্ধ নহৈ আমি সামগ্ৰিক মূল্যবোধৰ কথা উপলব্ধি কৰিবই লাগিব। অত্যধিক আত্মমুখী মনোভাৱৰ বাবে আজি আমাৰ মাজৰ পৰা সামগ্ৰিক মূল্যবোধৰ ধাৰণা সমূহ হেৰাই যোৱাৰ উপক্ৰম ঘটিছে।সাম্প্ৰতিক সময়ত আমি আমাৰ চিন্তা-চৰ্চাবোৰ ধৰ্মীয় দৃষ্টিকোণৰ পৰা বিচাৰ কৰাৰ পৰিৱৰ্তে বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ কৰিব লাগিব। উদাহৰণস্বৰূপে, বিভিন্ন জীৱ-জন্তুৰ হত্যা, চিকাৰ কৰি হত্যা কৰিলে জীৱ হত্যা মহাপাপ বোলাৰ পৰিৱৰ্তে জীৱ হত্যাৰ ফলত হ'বপৰা অসুবিধা, খাদ্যজালৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বুজোৱা উচিত।

পৃথিৱীয়েই হ'ল একমাত্ৰ গ্ৰহ য'ত মানুহ বসবাস কৰিব পাৰে। জলবায়ুৰ পৰিৱৰ্তন, অত্যধিক বৃষ্টিপাত, প্ৰখৰ ৰ'দ, খৰাং পৰিস্থিতিয়ে মানুহৰ জীৱনলৈ ভয়াৱহ ভাবুকি কঢ়িয়াই অনাৰ লগতে মানুহৰ একমাত্ৰ বাসোপযোগী পৃথিৱী আৰু প্ৰকৃতিলৈয়ো দুৰ্যোগ কঢ়িয়াই আনিছে। মানুহৰ সজাগতা আৰু ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি দায়বদ্ধতা সোঁৱৰি পৰিৱেশ সুৰক্ষাৰ দায়িত্ব সাদৰেৰে গ্ৰহণ নকৰিলে মানুহৰ একমাত্ৰ বাসোপযোগী গ্ৰহটোত বাস কৰিব নোৱৰা পৰিস্থিতি উদ্ভৱ নহ'ব বুলি ক'ব নোৱাৰি। কেৱল দিৱসৰ নামত দিৱস আয়োজন কৰিলেই আমি পৰিৱেশ সুৰক্ষিত কৰিব নোৱাৰোঁ।

প্ৰকৃতিনিৰ্ভৰ মানৱ সমাজৰ দ্ৰুত বিকাশে যিদৰে মানৱ জীৱনলৈ সা-সুবিধা কঢ়িয়াই আনে। তাৰ বিপৰীতে পৰিৱেশৰ প্ৰতি বেয়া মনোভাৱহে কঢ়িয়াই আনে। মনস্তাত্বিকভাৱে হ'লেও এই কথাষাৰ বহুলাংশে সত্য। অথচ মানুহৰ বাবে মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক একেটি মুদ্ৰাৰ দুটা পিঠিৰ দৰে। অৱশ্যে প্ৰকৃতি মানৱ নিৰ্ভৰ নহয়। গতিকে মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কৰ প্ৰতি সজাগ কৰা আৰু সজাগ হোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ৫ জুন তাৰিখটোত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰি অহা হৈছে।

পৰিৱেশ নৈতিকতাত কুঠাৰাঘাত পৰাৰ মূল কাৰণটোৱেই হ'ল বৰ্দ্ধিত জনসংখ্যা। জনসংখ্যাৰ বৃদ্ধিৰ ফলত থাকিবলৈ, খেতি কৰিবলৈ ঠাইৰ অভাৱ হৈছে। ফলত গছ-গছনি কাটি তহিলং কৰিছে। ইয়াৰ উপৰিও মানুহে প্ৰযুক্তি

আৰু আধুনিকতাৰ নামত অত্যধিক যান-বাহানৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। য'ত চাৰিজনীয়া এখন ঘৰত কেৱল এখন গাড়ী আছিল, আজি তাত প্ৰত্যেকৰে একোখনকৈ গাড়ী আছে। ফলত প্ৰদূষণ বাঢ়িছে। গতিকে পৰিৱেশ দিৱসৰ দিনা জনসংখ্যা বৃদ্ধিৰ ভয়াৱহতাৰ বিষয়েও আমি সজাগ কৰিব পাৰোঁ। নিজেও সজাগ হ'ব পাৰোঁ। ইয়াৰ উপৰিও আমাৰ প্ৰাকৃতিক সম্পদসমূহ কিদৰে ব্যৱহাৰ কৰা উচিত, আমি য'তে ত'তে জাবৰ-জোঁথৰ পেলালে পৰিৱেশৰ লগতে যে আমাৰ স্বাস্থ্যৰ ক্ষতি হয়, বেমাৰ-আজাৰ হয় সেই বিষয়েও সজাগ কৰিব পাৰোঁ। ইয়াৰ উপৰিও আৱৰ্জনাৰ নিষ্কাশন আৰু পুনৰ ব্যৱহাৰ সম্পৰ্কেও সজাগ কৰিব পাৰোঁ। আমি বাৰু আৱৰ্জনাৰ নিষ্কাশন আৰু পুনৰ ব্যৱহাৰ পদ্ধতি সম্পৰ্কে জানোনে? ইয়াৰ বাবে বিভিন্ন পদ্ধতি আছে।

যেনে— আমি সচৰাচৰ বিভিন্ন আৱৰ্জনা সমূহ প্লাষ্টিকৰ মোনাত ভৰাই ৰাস্তাৰ কাষত পেলাই দিওঁ। ফলত সেই প্লাষ্টিকৰ ভিতৰৰ আৱৰ্জনাসমূহ গেলি দুৰ্গন্ধৰ সৃষ্টি কৰে। পদপথেদি মানুহ যাব নোৱৰা হয়। এই ক্ষেত্ৰত নগৰাঞ্চলত পৌৰনিগমে আৱৰ্জনাবোৰ সংগ্ৰহ কৰি বিজ্ঞানসন্মতভাৱে পেলাই দিয়াটো নিয়ম। ভাৰত চৰকাৰে স্বচ্ছ ভাৰত অভিযানৰ জৰিয়তে ইয়াক গণমুখী কৰিবলৈ চেষ্টা কৰিছে। তোমালোকে নিশ্চয় আজিকালি জাৱৰ-জোঁথৰ সংগ্ৰহ কৰিবলৈ অহা ব্যক্তি দেখিছা। সেয়েহে য'তে ত'তে জাৱৰ-জোঁথৰ নেপেলায় নিৰ্দিষ্ট সময়ত সংগ্ৰহ কৰিবলৈ অহা ব্যক্তিক জাৱৰ-জোঁথৰবোৰ যোগান দিয়া উচিত।

যিবোৰ কাৰণৰ বাবে আৱৰ্জনা সৃষ্টি হয় সেইবোৰ কাৰণ নোহোৱা কৰিবলৈ চেষ্টা কৰা উচিত। আমি পৰাপক্ষত এবাৰ ব্যৱহাৰযোগ্য সামগ্ৰী কিনিবলৈ কমাই দিয়া উচিত। তদুপৰি দোকানত প্লাষ্টিক বিচৰাৰ সলনি পৰাপক্ষত বজাৰ-সমাৰ কৰিবলৈ নিজৰ লগত এটা পলিথিন ৰখা উচিত।

এবাৰ ব্যৱহাৰ কৰাৰ পাছত পুনৰ ব্যৱহাৰ কৰিব পৰা সামগ্ৰীসমূহ পুনৰ ব্যৱহাৰ কৰিলে অৰ্থনৈতিকভাৱেও লাভৱান হ'ব পাৰোঁ। উদাহৰণস্বৰূপে, ভঙা-ছিঙা আইনাসমূহ পুনৰ ব্যৱহাৰৰ বাবে আমি কোম্পানীসমূহক যোগান ধৰিব পাৰোঁ। তেওঁলোকে তাৰপৰা পুনৰ আইনা প্ৰস্তুত কৰিব পাৰে।

ওপৰোক্ত কাৰ্যসমূহৰ দ্বাৰাহে সম্পদৰ সৈতে থকা মানুহৰ অসমতাসমূহ দূৰ কৰা সম্ভৱ। ব্যক্তিগতভাৱেও সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত সমতাপূৰ্ণ ব্যৱহাৰ নিশ্চিত কৰিব পাৰিবই লাগিব। গতিকে নিজা অঞ্চলসমূহৰ

বহনক্ষম বিকাশৰ বাবে পৰিৱেশ সম্পদৰ যথোচিত ব্যৱহাৰত গুৰুত্ব দিব লাগে। ই আমাৰ দৈনন্দিন কাৰ্যৰ অন্তৰ্গত হোৱা উচিত।

প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত পথ আৰু পৰিবহণ বিভাগো দায়িত্বশীল হোৱা উচিত। পথ নিৰ্মাণৰ সময়ছোৱাত জধে-মধে গছ কাটি পথ বহলোৱা হয় গতিকে সেই গছসমূহ সুৰক্ষিত ৰাখি পথ বহলোৱাৰ পৰিকল্পনা কৰা উচিত। পৰিৱেশৰ প্ৰতি শিপা বা মূলস্তৰৰ পৰা সমগ্ৰ শ্ৰেণীৰ জনগণ জাগ্ৰত আৰু নৈতিকভাৱে দায়িত্বশীল হ'লেহে এই ধুনীয়া পৃথিৱীখন বৰ্তি থাকিব।

সুস্থ পৰিৱেশে আমাক সুখী জীৱন দিয়ে। প্ৰকৃতি হ'ল এনে এক অনবদ্য অৱদান য'ত মানুহে নিজৰ অৱসৰী সময় অতিবাহিত কৰিবলৈ বিচাৰে। সংযুক্ত ৰাষ্ট্ৰৰ এটা জৰীপত গম পোৱা গৈছে যে শতকৰা ৯০ ভাগ মানুহেই গ্ৰামাঞ্চলৰ পৰিৱেশৰ মাজত জিৰণি লৈ, মুক্ত বায়ু সেৱন কৰি, শান্তি উপভোগ কৰিব বিচাৰে। আমি যেতিয়া খিৰিকীখন খুলি দিওঁ তেতিয়া আমি কি দেখোঁ বাৰু, ক'লৈ চকু যায় বাৰু? হয় ফুলনিৰ ফুলজোপালৈ, নহয় সেউজীয়া গছেৰে আৱৰা বাৰীখনলৈ, অথবা নগৰৰ ৰাজপথৰ কাষত থকা একমাত্ৰ গছজোপালৈ— নহয়নে? আমি কিয় সেই সেউজ পৃথিৱীখনলৈ চাওঁ বুলি প্ৰশ্ন কৰো ইয়াৰ প্ৰথম উত্তৰটোৱেই হ'ব আমিও জীৱমণ্ডলৰ এক অংশ, আমাৰ মনত আজিও প্ৰকৃতি-প্ৰীতি প্ৰবাহমান। সুস্থ পৰিৱেশ এটাৰ প্ৰতি এই বোধৰ উপৰিও আমাক সুস্থ পৰিৱেশে কৃতজ্ঞ আৰু সুখী হোৱাৰ গুণো প্ৰদান কৰে। সুন্দৰ পৰিৱেশে আৱৰা ঠাইসমূহৰ জনগণৰ মাজত সহযোগিতামূলক মনোভাৱ, অধিক সুদৃঢ় হোৱা দেখা যায়। ইয়াৰ উপৰিও চৌপাশত গছ-গছনি নথকা খেলপথাৰৰ তুলনাত চৌপাশে গছ-গছনিৰে আৱৰা খেলপথাৰত খেলা-ধূলা কৰা খেলুৱৈয়ে বহু সময়লৈ সক্ৰিয়ভাৱে খেল খেলাৰ লগতে অধিক সহযোগিতা আৰু সৃজনশীলতাৰে খেলিব পাৰে।

অৰণ্যত বিভিন্ন প্ৰকাৰৰ গছ-গছনি থকা বাবে সেই গছ-গছনিতে বিভিন্ন প্ৰাণীয়ে বসবাস কৰিবলৈ লয়। ফলত এই অৰণ্য অঞ্চলসমূহ প্ৰাণী বৈচিত্ৰৰ ক্ষেত্ৰটো চহকী। সৃষ্টিৰ আৰম্ভণিৰে পৰ এই উদ্ভিদ আৰু অৰণ্যাঞ্চলে পৃথিৱীক সুৰক্ষিত কৰি ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

প্ৰকৃতিৰ নান্দনিক সৌন্দৰ্যই অনবৰতে সৌন্দৰ্য পিয়াসীসকলক আকৰ্ষিত কৰি ৰাখে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই মন মুগ্ধ নকৰাকৈ থকা প্ৰাণী সমগ্ৰ পৃথিৱীতে বিৰল। আমি পোনপটীয়া দৰ্শন নকৰা পৰ্যন্ত বিষয়বস্তু সম্পৰ্কীয়

প্ৰকৃত তথ্য আৰু জ্ঞান আহৰণ কৰিব নোৱাৰোঁ। জ্ঞান আহৰণৰ অবিহনে শিকন কাৰ্য সম্পন্ন নহয় আৰু কাৰ্যক্ষেত্ৰত ইয়াক প্ৰয়োগৰ ক্ষেত্ৰত কোনো ব্যক্তিকে অভিৰোচিত কৰিব পৰা নাযায়। ই পুথিগত অথবা 'থিয়ৰীটিকেল' জ্ঞান হিচাপেই থাকি যায়। ফলত শিকন কাৰ্য সম্পূৰ্ণ হৈছে বুলিব নোৱাৰি।

আমি কোনো বস্তু ক্ৰয় কৰিবলৈ যাওঁতে তাৰ প্ৰয়োজনীয়তা আৰু গুণাগুণ অনুসৰি পৃথক পৃথক মূল্য দিবলগীয়া হয়। এই মূল্য মূলতঃ নিৰ্ভৰ কৰে সামগ্ৰীবিধে প্ৰদান কৰা সেৱা মূল্যৰ ওপৰত। এনে মূল্যাংকনৰ জৰিয়তে আমি আমাৰ অস্তিত্ব আৰু প্ৰকৃতিৰ গুৰুত্ব মূল্যাংকন কৰোঁ। পৰিৱেশ সম্পৰ্কে আমি সচেতন হৈ ইয়াৰ মূল্যাংকন কৰিব পৰাকৈ আমাৰ বোধৰ বিকাশ সম্পূৰ্ণ নোহোৱাৰ দোহাই দি আমি পৰিৱেশক আওকান কৰোঁ। অৱশ্যে পৰিৱেশৰ মূল্য ইয়াৰ ওপৰত জীৱৰ নিৰ্ভৰশীলতা অনুসৰি আগবঢ়োৱা সেৱা মূল্যৰ জৰিয়তে উপলব্ধি কৰিব লাগিব। এই যে আমি উশাহ লৈছোঁ, ভোকত খাদ্য খাইছোঁ, এয়া সকলো প্ৰকৃতিৰ। আমাৰ প্ৰতি থকা দয়া আৰু সেৱা। প্ৰকৃতিয়ে নিবিচৰাকৈ, যোগান নধৰাকৈ আমি কোনো সামগ্ৰী সৃষ্টি কৰিব পৰা নাই। আমি যদি কোনো ঠাইত প্ৰকৃতিক আঘাত কৰিছোঁ তেন্তে আমিয়েই সেই ঠাইৰ পৰা আঁতৰি আহিবলৈ বাধ্য হৈছোঁ। গছ কাটি তহিলং কৰিছোঁ— উৎকট গৰম হৈছে, গৰাখহনীয়া হৈছে। ফলত আমিয়েই সেই ঠাইৰপৰা আঁতৰি আহিবলৈ বাধ্য হৈছোঁ। গতিকে যি আমাক জীয়াই ৰাখিছে সেই উপাদান গছ-বিৰিখক, প্ৰকৃতিক আমি সন্মান কৰিব লাগিব। প্ৰকৃতি সুৰক্ষাৰ প্ৰতি, সংৰক্ষণৰ প্ৰতিও দায়বদ্ধ হ'ব লাগিব।

শিক্ষাই পাৰিৱেশিক সুৰক্ষা আৰু সজাগতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইতিবাচক পৰিৱেশ শিক্ষাই একক দিশৰ সূচনা কৰাৰ লগতে পাৰিৱেশিক তথ্যৰ আদান-প্ৰদান কৰাত নিৰ্ণায়ক ভূমিকা পালন কৰে। ই পাৰিৱেশিক মনোভাৱ, ইতিবাচক সজাগতা, সংৰক্ষণ দক্ষতা আদি গুণৰ বিকাশ ঘটোৱাৰ লগতে এককভাৱে আৰু সমজুৱাকৈ আঁচনি গ্ৰহণ কৰিব পৰা সক্ষমতাৰো বিকাশ ঘটায়। স্থানীয় জীৱবৈচিত্ৰ সুৰক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণে বহনক্ষম বিকাশৰ লগতে মূল লক্ষ্যত উপনীত হ'বলৈ উৎসাহমূলক পৰিৱেশ গঢ় দিব পাৰে। শিক্ষাৰ্থীসকলে গাঁৱত দেখা পোৱা পৰিৱেশজনিত সমস্যাসমূহ আলোচনাৰ জৰিয়তে সমাধানৰ উদ্যোগ ল'ব পাৰে। জীৱ বৈচিত্ৰ্য শিক্ষণৰ মূল উদ্দেশ্যই হ'ল স্থানীয় এলেকাত দেখা পোৱা পৰিৱেশজনিত

সমস্যাৰ প্ৰতি জ্ঞান, আগ্ৰহ আৰু সমাধানৰ প্ৰয়োজনীয় দক্ষতাৰ বিকাশ ঘটোৱা। শিক্ষাৰ্থীসকলৰ মনত জীৱ বৈচিত্ৰ্যৰ প্ৰতি সজাগতা বৃদ্ধিৰ বাবে সক্ৰিয় শ্ৰেণীকোঠা, হাতে-কামে কাৰ্য, ব্যৱহাৰিক অভিজ্ঞতা, ক্ষেত্ৰভিত্তিক জৰীপ আৰু অধ্যয়নে লক্ষ্যত উপনীত হোৱাত সহায় কৰিব পাৰে। আমি বিভিন্ন কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ জৰিয়তেও পৰিৱেশ সজাগতাৰ ইতিবাচক বিকাশ সম্ভৱ কৰি তোলাৰ বাবে চেষ্টা কৰিব পাৰি।

অতি সম্প্ৰতি কবিতাৰ জৰিয়তেও পৰিৱেশ সুৰক্ষাৰ প্ৰতি কবিসকল আগবাঢ়ি অহা দেখা গৈছে। পৰিৱেশ সংৰক্ষণকেন্দ্ৰিক কবিতাসমূহক পাৰিপাৰ্শ্বিক কবিতা হিচাপে অভিহিত কৰা হয়। পাৰিপাৰ্শ্বিক কবিতা হ'ল এনেধৰণৰ কবিতা য'ত কাব্যিক বৈশিষ্ট্যৰ লগতে পৰিৱেশ সংৰক্ষণ চেতনাও প্ৰতিফলিত হয়। এই সংকলনটিৰ জৰিয়তে পাৰিপাৰ্শ্বিক কবিতাৰ এটি ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। এই সংকলনখনত কিছুসংখ্যক পাৰিপাৰ্শ্বিক কবিতাও অন্তৰ্ভুক্ত কৰা হৈছে। সংকলনটো মূলতঃ **শব্দৰ ছন্দ আৰু দ্বন্দ্বত পাৰিপাৰ্শ্বিক সুৰক্ষা** আৰু **সপোন, জীৱন অথবা অলপ আত্মবোধ...** শীৰ্ষক দুটা খণ্ডত কবিতাসমূহ সাঙুৰি লোৱা হৈছে।

আশা কৰোঁ, সংকলনটি পাঠক সমাজে আদৰি ল'ব আৰু ভুল ত্ৰুটিসমূহ দেখুৱাই কৃতাৰ্থ কৰিব।

**মানস প্ৰতিম দত্ত**

বৰপাক জিয়ামৰীয়া গাঁও
মাছখোৱা, ধেমাজি।



শ্ৰদ্ধা অঞ্জলি


# মাৰৈ মনত পৰে !




আমাৰ জীৱনত এনে বহু ঘটনা আমাৰ অজ্ঞাতে ঘটি যায়, যাক আমি কেতিয়াও কল্পনাই নকৰোঁ। আমি জীৱনত এনে কিছুমান মুহূৰ্তৰ সন্মুখীন হওঁ, য'ত আমি নিজক হেজাৰ চেষ্টা কৰিও সুস্থিৰ কৰি ৰাখিব নোৱাৰোঁ। তথাপিও আমি আশাৰ বান্ধোনত বান্ধ খাই পুনঃ নিজক সুস্থিৰ অৱস্থালৈ আনিবলৈ চেষ্টা কৰোঁ। জীৱনবোধ আৰু জীৱন সম্পৰ্কীয় আত্ম দৰ্শনে মোক সুস্থিৰ হ'বলৈ, অস্থিৰতাৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰে। জীৱনত ইতিবাচক মনোভাৱ আৰু দৃষ্টিভংগীৰ বিকাশ সাধন কৰি তাৰ সৈতে একাত্ম হ'বলৈ মই সদায় চেষ্টা কৰোঁ।


মাৰ কথাই যেতিয়া মোৰ মনাকাশত দোলা দিয়ে তেতিয়াই নিৰলে চকুলো ওলায়। মাৰ বন্ধু-বৰ্গৰ পৰা সদায় শুনোঁ— মা পঢ়া-শুনাত খুব মেধাৱী আছিল বুলি। মোৰ জীৱনৰ আদিপাঠো মাৰেই দান। আমাক জন্মদিনৰ দিনা, পূজাত, বিহুত মায়ে একোখনকৈ কিতাপ উপহাৰ দিছিল। আমাৰ পৰীক্ষাৰ আগদিনা এডোখৰ বগা কাগজত সুন্দৰকৈ শুভেচ্ছা বাণী লিখি আমাক শুভেচ্ছা দিছিল। আমাৰ বাবে কিমান যে কি কৰা নাছিল !!!

১৯৬৮ চনত ঢকুৱাখনাৰ বৰুৱাটিকা গাঁৱত মাৰ জন্ম হৈছিল। ককাৰ নাম আছিল যজ্ঞেশ্বৰ বড়া আৰু আইতাৰ নাম মাধৱী বড়া। পঢ়া শুনাত খুব মেধাবী মায়ে মজলীয়া বৃত্তিও লাভ কৰিছিল। ঢকুৱাখনা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা আৰু হিন্দীত প্ৰবীণ ডিগ্ৰীধাৰী মাৰ হাতৰ আখৰবোৰে আমাক সন্মোহিত কৰিছিল। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ আমাৰ প্ৰশ্ন





আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ **আমাৰ প্ৰশ্ন আপোনাৰ উত্তৰ** শিতানৰ প্ৰশ্নসমূহৰ সৈতে মাৰ হাতৰ আখৰ



মায়ে টুকি থোৱা আমাৰ এটি কবিতা
(**মন** মোৰ ঘৰত মতা নাম)

আপোনাৰ উত্তৰ শিতানৰ বাবে মাৰ যে কিমান আগ্ৰহ আছিল সেয়া কথাৰে বুজাই শেষ কৰিব নোৱাৰি। মায়ে ডায়েৰী পাতত বিভিন্ন সাধাৰণ জ্ঞানৰ প্ৰশ্নসমূহ টুকি ৰখাৰ লগতে কুইজৰ জগতখনলৈ আমাক আগ্ৰহী কৰি তুলিছিল। মাৰ উৎসাহ আৰু প্ৰেৰণাতে দশম শ্ৰেণী পৰ্যন্ত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ আজিৰ দিনটো অনুষ্ঠানত দিয়া তথ্যসমূহ এখন বহী প্ৰস্তুত কৰি টুকি ৰাখিছিলোঁ। প্ৰতি বছৰে পূজাত মায়ে সাঁচি ৰখা পইচাৰে আমাক কিতাপ কিনি দিছিল। কেনেকৈ পাহৰোঁ সেই মধুৰ দিনবোৰ অ' মা?

মৰমৰ, শ্ৰদ্ধাৰ সাদৰী মা-জনী যোৱা বছৰৰ ২০১৯ চনৰ ১৩ জানুৱাৰীত আমাক অকলশৰীয়া কৰি কোনোবা অজান দেশলৈ গুচি গ'ল, য'ৰ পৰা মা কোনোদিনে উভতি নাহে, কোনোদিনে আহি নামাতেহি— সোণটো, কি কৰিছ বুলি। মাৰ সৈতে হয়তো একেবাৰে কাষত কেইটামান বছৰহে আমি থাকি বলৈ পাইছিলোঁ, এনে লাগে। মেট্ৰিক

## অশ্ৰু অঞ্জলি



প্ৰয়াত লক্ষীমাই দত্ত

জন্ম ঃ ০১ মাৰ্চ, ১৯৬৮

মৃত্যু ঃ ১৩ জানুৱাৰী, ২০১৯ (২৮ পুহ )

**আদ্যশ্ৰাদ্ধৰ স্থান**

বৰপাক জিয়ামৰীয়া গাঁও

ডাক ঃ মাছখোৱা, ধেমাজি (অসম)

ফোন নং-৮০১১৫৮৮৪৩৭, ৮৭২১৮৯৪৭০৭, ৮৬৩৮৭০৮০৭৮

## নিমন্ত্ৰণী শৰাই

*‘মায়া আদি কৰি    সমস্তে অসন্ত*
*জানিবা জড় নিশ্চয়*
*হৰি মাত্ৰ সত্য    চৈতন্য ঈশ্বৰ*
*পৰম তত্ব নিৰ্ণয়’।।’*

*(নামঘোষা)*

শ্ৰদ্ধাভাজনেষু,

সেৱাভাগি গ্ৰহণ কৰিব। গত ইং ১৩ জানুৱাৰী, ২০১৯ (১৯৪০ শকৰ ২৮ পুহ) তাৰিখ দেওবাৰে মোৰ পত্নী/আমাৰ পৰম আৰাধ্যা মাতৃ **শ্ৰীমতী লক্ষীমাই দত্ত** পৰলোকলৈ গমন কৰে।

সেয়েহে তেখেতৰ বিদেহী আত্মাৰ সদ্‌গতিৰ অৰ্থে অহা ইং ২২ আৰু ২৩ জানুৱাৰী, ২০১৯ (৭ আৰু ৮ মাঘ) তাৰিখ মঙল আৰু বুধবাৰে আদ্যশ্ৰাদ্ধভাগি আয়োজন কৰা হৈছে।

গতিকে, উক্ত দিনা আমাৰ গৃহত আপোনাৰ/আপোনালোকৰ পদধূলা আৰু একাঁজলি আশীৰ্বাদ পোৱাৰ আশাৰে এই নিমন্ত্ৰণী শৰাই আগবঢ়ালোঁ।

পত্ৰৰ দ্বাৰা নিমন্ত্ৰণী ত্ৰুটি মাৰ্জনীয়।

সেৱাৰে -
শোক সন্তপ্ত পৰিয়াল বৰ্গৰ হৈ -

শ্ৰী গোবিন দত্ত (স্বামী)
শ্ৰী মানস প্ৰতিম দত্ত (মন) (পুত্ৰ)
শ্ৰী নয়ন দীপ দত্ত (ধন) (পুত্ৰ)

পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত মই চিলাপথাৰত পঢ়িবলৈ গ'লোঁ। তাত চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাত নামভৰ্তি কৰিলোঁ। তাৰ পাছত বিজ্ঞান মহাবিদ্যালয়ৰ পৰা স্নাতক উত্তীৰ্ণ হৈ এবছৰ ধেমাজিৰ শংকৰদেৱ বিদ্যা নিকেতনত শিক্ষকতা কৰিলোঁ। পুনৰ স্নাতকোত্তৰ অধ্যয়নৰ বাবে নগাঁৱলৈ গ'লোঁ। বিশেষ বন্ধ নাথাকিলে ঘৰলৈ তেনেকৈ অহা নহৈছিল।

মাক হেৰুওৱাৰ পাছৰে পৰা প্ৰতিটো মুহূৰ্ততে মাৰ ‘উপস্থিতি’ অনুভৱ কৰোঁ। ভাত খাবলৈ বহোঁতে, গাড়ীত বহোঁতে, ভাল কিবা এটা হ'লে মালৈ মনত পৰে। চকুলো বৈ আহে অজানিতে। পেটলৈ ভাত নাযায়, মুখৰ মাত বন্ধ হৈ পৰে। লেখিবলৈ বহি পুনৰ লেপটপটো বন্ধ কৰি থওঁ, বহীখন জপায় থওঁ।

অৱশ্যে, লাহে লাহে মই নিজকে বুজাবলৈ চেষ্টা কৰিছোঁ। মাৰ সপোনবোৰ পূৰ কৰিবৰ



মাৰ অনুপস্থিতিত আমাৰ সৰু পৰিয়ালটো

বাবেই, মাক সুখী কৰিবৰ বাবেই মই কামৰ সৈতে, পঢ়া-শুনাৰ সৈতে একাত্ম হ'বই লাগিব।

*মাৰ বাবে এটা কবিতা লিখিব পৰাকৈ*
*মই সাহসী হ'ব পৰা নাই*

*মৃত্যু মানেই শেষ বুলি জানিও*
*মই মাৰ কথা নভবাকৈ*
*থাকিব পৰা নাই...*

মাৰ বাবে কবিতা লিখিব পৰাকৈ কোনো মানুহ সাহসী হ'ব পাৰেনে নোৱাৰে মই নাজানো। তথাপিও মাৰ বাবে লিখিব নোৰৱা কবিতাবোৰৰ কবিতাৰে মাৈল আমাৰ শ্ৰদ্ধা আৰু সেৱা নিবেদিছোঁ।■



# কাব্য ক্রমণিকা


**শব্দৰ ছন্দ আৰু দ্বন্দ্বত পাৰিপাৰ্শ্বিক সুৰক্ষা**

ৰামানুজনৰ ক'লা ছাতিটো হেৰাল১৮ ১২ আগষ্টত মই এটা হাতী২০

আমাৰনো কি যায়২৪ পৰীক্ষাগাৰত অৰণ্য২৫

গাঁৱৰ গছজোপাত বজ্ৰপাত হ'ব২৭ অলপ ক্লৰ'ফিল সম্বন্ধীয়২৯

বানৰ দিনবোৰ৩১ জীৱনটো শগুন বিষয়ক৩২

অ' মোৰ পৰজীৱী মানুহ৩৩ হঠাৎ হেৰাই যাব মন গ'লে৩৫

আকাশ, পানীজুই ইত্যাদি৩৭ গছজোপা হেনো বুঢ়া হৈছে৩৮

শীতৰ ছুৰেটোৰ নোপোৱা শিপাবোৰ ৩৯ নদী ৪০ ডাষ্টবিন৪২

সিহঁত নাহিলেও বসন্ত আহিব৪৪ গছৰ এক্স আৰু চৰাইৰ ৰাই৪৫

**সপোন, জীৱন অথবা অলপ আত্মবোধ...**

মাৰ বাবে লিখিব নোৱৰা কবিতাবোৰৰ কবিতা৪৮

ৰবি ঠাকুৰৰ নিলিখা কবিতাটো৫১ শচীন টেণ্ডুলকাৰে বলিং কৰোঁতে৫৩

আত্মপাঠ ৫৫ ক'বলগীয়া নক'বলগীয়াখিনি৫৮

নুনি পকিছে সৰু৫৯ বৰশী৬১ নিমখ৬২ উৰি অহা কবিতা এটা৬৩

হয়তো পিতাই শিক্ষক আছিল বাবেই ৬৫ অলপ ৰঙৰ বাবেই৬৭

মুখত এধানি হাঁহি লৈ৬৮ হঠাৎ কেতিয়াবা বুকুখন কঁপে৬৯

তলা৭১ এটা প্ৰেমৰ কবিতাৰ দৰে৭৩ মা৭৬

খেল৭৯ লকডাউন৮১




প্ৰকৃতিৰ পৰা বনে অ'
কৰে আহৰণ
বৈজ্ঞানিক উপাদান
কৰি মন্থন
শুনা শুনা হে'..
শুনা পাতি কাণ
বিজ্ঞানসন্মত বনভূমিৰ অৱদান

তেনে ভাবে তৰু তৃণে
স্ৰজে শ্বেতসাৰ
সেহি খাদ্যত পায় জীৱে
জীৱনৰ আহাৰ
শুনা শুনা হে'..
শুনা পাতি কাণ
বিজ্ঞানসন্মত বনভূমিৰ অৱদান

বনভূমি সেৱাৰ থলী হে
মানৱ কল্যাণৰ
বন সংৰক্ষণ হওক
চিন্তা সমাজৰ
শুনা শুনা হে'..
শুনা পাতি কাণ
বিজ্ঞানসন্মত বনভূমিৰ অৱদান

**—সুধাকণ্ঠ ড° ভূপেন হাজৰিকা**

# শব্দৰ ছন্দ আৰু দ্বন্দ্বত পাৰিপাৰ্শ্বিক সুৰক্ষা



# ৰামানুজনৰ ক'লা ছাতিটো হেৰাল

পুৰাৰ চাহকাপত চুমুক দিবৰ সময়ৰে পৰা
ৰামানুজনে মনত পেলাব পৰা নাই
তেওঁ পাহৰিছে কি?

গছ কাটি গছ ৰোৱাৰ ফুলজাৰি মৰা মাইকটোতো
সিদিনাই দলিয়াই দিছিল ৰামানুজনে
যিদিনা মাইকত চিঞৰি চিঞৰি কৈছিল শব্দ প্ৰদূষণৰ মাতবোৰৰ কথা।

দলিয়াই দিয়াটো হেৰাই যোৱাৰ ভিতৰত ধৰা নহয়।

দৌৰি দৌৰি পাৰ হ'বলৈ প্ৰয়োজন হোৱা সেই সময়বোৰ
যিবোৰত পোৱা মতে
ঘৰৰ পৰা ইচকুললৈ তামোল এখনৰহে বাট...
সেই বাটত গাড়ীখন নিনিলেও ৰামানুজনৰ লাজ নালাগে।

ৰামানুজন কৃপণ নহয়
ৰামানুজন দুখীয়াও নহয়।

গছৰ তলত ঘৰ পতা
খেৰি ঘৰৰ মালিক — ৰামানুজন
চাইকেল চলায় ভালপোৱা মানুহ — ৰামানুজন।

তেন্তে কি হেৰাল ৰামানুজনৰ!

নাই, মনত দেখোন নপৰে
মেঘ চপৰাত বৰষুণ আছিলনে!
আছিল এচিডৰ চুমা — ছালফাৰ-ডাই-অক্সাইড
অথবা কাৰ্বন-ডাই-অক্সাইডৰ হিয়া।

সেইটো অৱশ্যে ৰামানুজনৰ মনত নপৰা কথা নহয়।

তেন্তে কি হেৰাল ৰামানুজনৰ!

লাহে লাহে জ্বলি উঠা আকাশখন
নে মাটিৰ চিঞৰবোৰ!

ৰামানুজনে ঠিকেই ভাবিছে
এইবোৰ হেৰুওৱা কথাটো হেৰুওৱাৰ। চুঙাটোত নাহেই দেখোন।

ৰামানুজনৰ গাৰুৰ তলতো ঠিকেই পৰি আছে
বেংকৰ পাছবুক
লিখা আছে — SAVE TREE
—SAVE GREEN

তেন্তে কি হেৰাল ৰামানুজনৰ!

টেবুলখনো ঠিকেই আছে
একেদৰেই পৰি আছে জীৱনৰ বীজগণিত অথবা জ্যামিতি!

চাহৰ কাপটো ধুওঁতে
পানীৰ টেপটো খোলাতহে মনত পৰিল ৰামানুজনৰ
আচলতে হেৰাইছে কি!

বাহিৰত ভীষণ গৰম
আজি মন গ'লেই প্ৰেমত পৰিব পাৰি বৰষুণৰ।

পানীৰ টোপালটো প্ৰেমিকা নহয়
সেয়েহে একো নভবাকৈ ৰামানুজনৰ হাতখনক ঘপহকৈ কৈ দিলে —
তোমাৰ ক'লা ছাতিটো নাই

সেই গছৰ তলত অংক কৰোঁতে জপায় থোৱা
তোমাৰ ক'লা ছাতিটো নাই।

চোৱা, ছাতিটো নাই বাবেই কাউৰীজনীও পৰা নাই মাটিত
শিলবোৰো মৰা নাই খোজৰ চাপত।

ৰামানুজনে তৎ ধৰি কয়ে পেলালে
সেয়েহে চাগৈ উশাহ বন্ধ সময়বোৰ
দশমিকৰ পৰৱৰ্তী অসীম মান নহয়

ঠিক, পানীৰ টোপালে দেখা
ছিৰালফাট মেলা ৰামানুজনৰ বুকুখনে বিচাৰি নোপোৱা
সেই ক'লা ছাতিটোৰ ছাঁৰ বেথা।■

কবিতাটিৰ অডিঅ’ শুনিবলৈ
স্কেন কৰক।

# ১২ আগষ্টত মই এটা হাতী

আজি ১২ আগষ্ট

আমাৰ খোজবোৰ
আমাৰ দাঁতবোৰৰ অৰ্থনীতিৰ অট্টালিকাত বহা
জীৱবোৰে আজি আমাৰ অসহায়ৰ কথা ক’ব

ক’ব- হাতীদণ্ডীৰ কথা
ক’ব - সংঘাতৰ কথা

অৱশ্যে এই কথা নকয় যে সংকট ক’ত
আজি ভাষণ দিব। হাত চাপৰি বাজিব
পৰামৰ্শ আহিব। ৱেবিনাৰ হ’ব। চেমিনাৰ হ’ব।

সভ্য মানুহৰ মতে আজিৰ দিনটো হেনো মোৰ
এৰা! আমাৰ ভোকৰ ভোগ মুঠি ভাঙি আনি
জৈৱিক খাদ্য নাম দিয়া মানুহবোৰে
আজি আমাৰ দুখত চকুলো টুকিব

তপতজুৰিৰ চকুপানীবোৰক লৈ হাঁহিব পৰা মানুহবোৰে
হাতী উদ্ধাৰৰ কথা ক'ব

মোৰ ঘৰ ভাঙি বাগিছা সজা
মানুহবোৰে আমাৰ ঘৰৰ কথা ক'ব

দিক-বিদিক নাপায় যেতিয়া আমি গুচি যাওঁ
মানুহৰ দেশলৈ

মানুহে আমাক হাঁহে
বিকট শব্দ কৰি আমাক দিশহাৰা কৰে

হেৰ' মানুহ,
আমাৰেই ঘৰত ঘৰ সাজি
আমাৰেই খাদ্য ভোগ কৰি
আমাকেই খেদা, আমাকেই মাৰা

ডিস্ক' লগোৱা
জুই জ্বলোৱা
দাঁতৰ বাবে মোৰ বোপাইক মাৰিবা
আৰু ক'বা— মই হেনো ভদ্ৰ জীৱ

ফটকা ফুটাবা, শব্দ কৰিবা
মোক অবাধ্য হ'বলৈ বাধ্য কৰিবা

আৰু...
আৰু ১২ আগষ্ট
১২ আগষ্টত মেল পাতিবা



ক'বা - আজি হাতীৰ দিন
আজি তোমাৰ দিন

ধিক্ বুলিনো কেনেকৈ কওঁ

মানুহৰ সভাত
আমি যে আলোচনাৰ বিষয়হে মাথোঁ
আলোচনাৰ শেষ নাই
কৰা নহয়

দেখি-শুনি চকুলো টোকো
কাকনো ক'ম, কেনেকৈনো ক'ম
চকুপানী দেখোন সদায়ে মচো।■

# আমাৰনো কি যায়

হাতী এটা মৰিছে— আমাৰনো কি যায়
চৰাই এটা মৰিছে— আমাৰনো কি যায়
গছজোপা কাটিছে— আমাৰনো কি যায়
পাহাৰখন খহিছে— আমাৰনো কি যায়
মানুহবোৰ মৰিছে— আমাৰনো কি যায়
বানত মান হেৰাইছে — আমাৰনো কি যায়

বেলিটো ঢুকাইছে— হ'ব দে একো নাই
ওঠৰটা হাতী মৰিল— আমাৰনো কি দৰকাৰ
এজাক শগুণে বিহ খালে— মৰিলে মৰিল আৰু

এজাক মানুহ মৰিছে
এজাক মানুহ মৰিছে
এজাক চৰাই মৰিছে
এখন হাবি জ্বলিছে

হ'ব দে— মৰিলে মৰক
— আমাৰনো কি যায়! ■

# পৰীক্ষাগাৰত অৰণ্য

**প্ৰথম সময়ৰ কথা ঃ**

প্ৰিয় মানুহ,
সন্ধিয়া এটাই ৰ' লাগি চাই থকাৰ পাছত
মোৰ ভাল লাগিছিল মানুহ

মানুহৰো ভোক আছে উশাহ
আছে নিশাহৰ পদ্য

মই ভাবিলোঁ— মানুহক ঘৰ দিওঁ
মানুহক ভোকৰ ভাত দিওঁ ভোগৰ
নহয়!

মই যে নাম কটা চিপাহী নহয়
মানুহবোৰৰ, মানুহবোৰেও জানে

লাহে লাহে মোক মাৰি মোক কাটি
ঘৰ ল'লে মাটি
নাম থ'লে মোৰ বুকুৰ শিৰ কাটি

বুকুতো শিৰ থাকে আপুনি
নাজানিবও পাৰে

লাহেকৈ সময়ৰ দগাপাল্লাত
জুখি-মাখি মোকেই মাতিব পৰা হ'ল

মানুহৰনো মাতৰ অভাৱনে!

**হয়তো শেষৰ কথা ঃ**
হে জীৱনদাতা গছ,
ধৰিবতো পাৰিছাই— ময়ো মানুহ
তোমাৰ বাবেই আজি মই বহিব পাৰোঁ পৰীক্ষাগাৰত

পৰীক্ষা কৰোঁ “ছেকেণ্ডাৰী মেটাবলাইট”
“এক্টিভ কনষ্টিটুৱেণ্ট”

“জাৰমপ্লাজম”
অথবা “ট্ৰান্সজেনিক” উদ্ভিদ-প্ৰাণী

তুমি দিয়া সেই ঠাইডোখৰ আজি সিহঁতৰ
সেয়ে সিহঁতে তোমাক মাৰিব পাৰে কাটিব পাৰে

তুমি উদাৰ আছিলা বাবেই
এনে হ'ব পাৰে ।

হে জীৱনদাতা,
উদাৰ নহ'বা ইমান
গছৰ দৰে... ।■

# গাঁৱৰ গছজোপাত বজ্ৰপাত হ'ব

অলপ ৰাজনৈতিকভাৱে বিভাজিত এজোপা গছৰ কাষত
মোৰ গাঁওখন থিয় দি আছে

শিয়ঁৰি নুঠা শালিকা এটাই ৰুটিৰ টুকুৰা এটা
মুখত কামুৰি কয়-
তেজ আৰু শিপাই দিয়া উশাহবোৰক লৈ
বণিজলৈ যাবিনে ৰত্নাকৰ?

'একে গছৰ পাণ
সিনো হ'ব কি আন!'

ক'ৰবাৰ পৰা পখিলা এটা উৰি আহে—
মানুহবোৰে পখিলাৰ কবিতা লিখে
ওৰণি পিন্ধি কুলিজনীয়ে গান গায়—
হাতত বাটলুগুটি লৈ মানুহবোৰে চৰাইৰ কোলাহল খেদে

পীড়ন আৰু হুমুনিয়াহৰ পৃষ্ঠাই পৃষ্ঠাই লিখা আছিল
গাঁৱৰ অকলশৰীয়া গছজোপাত বজ্ৰপাত হ'ব
বতাহত বিজুলীৰ জিলিঙনি তোলা মেঘেই
এদিন গছ ভাঙি গছ মাৰি ওলোটা হাঁহি এটাৰে
উচুপনিৰ পৰা ৰুদ্ধ বাট এটাৰে পাৰ হৈ যাব



আমি অঁকৰা মানুহ
দুখৰ মুখ, সুখৰ দুখ বুজিব পৰাকৈ
গছ হ'ব নোৱাৰিলোঁ কোনোদিন

ভাবোঁ—
গছ-চৰাইৰ নাথাকে মালিক
নিজেই নিজৰ মালিক

সেয়ে গছ নহ'লোঁ
মানুহ হ'লোঁ
কেৱল হৈ থাকিলোঁ মানুহ
ডাঙৰ মাতবোৰ শুনা
সৰু মাতবোৰ মৰা!

কথাতেই কয় —
এৰিলে মন ঘোঁৰাৰ ছুটি, বান্ধিলে মন শিলৰ খুঁটি।■

# অলপ ক্লৰ'ফিল সম্বন্ধীয়

সূৰ্য মোৰ উপাস্য। সহস্ৰ ৰাতিৰ গতি ভেদা
দুৰ্দান্ত সৰ্প। মৰ আন্ধাৰৰ শেষত আকাশ উদযাপন কৰা
বতা চৰাই।

পুৰণি যদিও ! গছ কাটি ঘৰ বন্ধাটো নতুন কথা
পাতৰ হুমুনিয়াহ ভাঙি উশাহত বয়
আবেলিৰ সূৰ্য। তাৰ পাছত অলপ আন্ধাৰত ডুবে
সময়।

গছৰ শ্ৰাদ্ধত কোনোদিনে লগ নোপোৱা
প্ৰেমিকৰ দৰে উমলি থাকে
কাৰখানাৰ কীট।

সূৰ্যৰ মগজুত কিহে তাণ্ডৱ কৰে
জাননে চেনিমাই
পুৱতি বেলা চতিয়না বনৰ কথা। তাত
সূৰ্য নামে। গা ধোৱে। মাজে মাজে নিচুকায়।

বোলো হয়নে ৰহিমলা
তই হেনো নজনা কথা নাই।

কথাযাৰ পুৰণি হ'লেও আওপুৰণি
নহয়। নতুন তেজত হেডলাইন গজে।

গছ মৰে।
গছ থকা-নথকাটো মৌলৰ পৰা যৌগ হোৱাতকৈ
অলপহে পৃথক।
(তইতো জানই ৰহিমলা )

উকা কাগজ। কলম আছে যেতিয়া লিখিবই লাগিব।
গা ৰঙৰ ছাতিটো ভাঁজ লগা বেলা
অস্পষ্ট কাগজৰ নাও সাজিলে মাটিতো চলে পানী কথা।

সেয়ে ক'লো ৰহিমলা পুতেৰক ক'বি
গছজোপা ৰোৱাৰ পাছত
পানী দিবলৈ যাবি
বন-বাট চিকুণাই দিবি
কথাযাৰ বাপেৰকো ক'বি
পুতেৰকো ক'বি

যা
ৰহিমলা যা
চহৰীয়া গঞ্জাৰ আগতো ক'বি
যা
ৰহিমলা যা। ■

# বানৰ দিনবোৰ

কটাৰীয়ে কাটি কাটি আকাশৰ বাও ধান
মই দাৰুনীয়ে মৰা নাই মৰণা
কাচি লাগি বলিয়া হ'ল বান।

গাই নদীৰ ঢৌ লাগি
সৰি পৰিল পিতাইৰ নাঙলৰ মাটি
হাবি এৰি ঘৰ ভাঙি আছেহি বলিয়া হাতী।

ঘৰলৈ পানী নাই
মুখলৈ মাত
গোটেই পদূলি মূৰত পানীৰ হাট।

গোটা কৰাই দিবলৈ
বতা চৰাই নাই
কাৰোবাৰ ছিটিকাত ভোজ হ'ল তাই।

কলেৰা, গ্ৰহণীৰ উজানত হেৰাইছে মুখৰ মাত
সঁজাল ধৰি মৰি যোৱা ভুঁইয়ে কান্দিছে
মাটি আৰু বালিৰ ছাঁত।

বানে এৰি যোৱা ৰাতিয়ে
এতিয়া নকৰে গানৰ ভয়
গাঁওখন কঁপি আছে
চৌপাশে যেন নৈ নৈ
ভোগ খেদি ভোক নিদিবা
ৰৈ ৰৈ...। ■

# জীৱনটো শগুন বিষয়ক

এই যে জীয়াই থকা কাৰবাৰটো
বৰ ভয়ানক

মই যুঁজিব লাগে
প্ৰায়ে নিজৰ সৈতে

মন উজাৰি উৰিব খোজা সময়ত
বিষাক্ত মৃতদেহ
আমি নিৰ্বোধ শগুন

চাফা কৰাৰ কথা ভাবোঁ
চৌপাশ

তাতেই যে হাঁহিৰ আঁৰত লুকাই থাকে
ডাইক্লʼফিনাকৰ মিচিকিয়া হাঁহি
আমি যে নুবুজো
ভালপোৱাৰ আঁৰত থকা প্ৰতাৰণাৰ কথা
কাষত থাকি লঠিয়াই পেলাব খোজা
গুপুত যন্ত্ৰণা! ■

# অ’ মোৰ পৰজীৰী মানুহ

সৌ আকাশত এতিয়া ক’লা জোন
আনকি খৰাং পথাৰখনতো নিজান বলধৰ চিঞৰ

মানুহৰ কাৰ্ফিউত এই দেশ আগেয়ে মৰা নাছিল।
সান্ধ্য আইন কি? ভাইৰাছ!
মানুহৰ বয়স?
পৃথিৱীৰ কটা জিভা!

পেৰাছাইট’ল’জি পঢ়োঁতে মানুহে নাকান্দে
মানুহ কি? ভাইৰাছ। প্ৰকৃতিৰ!

আজিলৈকে বন্দী হৈ থকা
নাই গছৰ খোজ। পক্ষীৰ চিঞৰ।

বন্দীশাল নে পোতাশালত— মানুহ

দেহৰ বাটে-পথে উফৰি পৰিছে এতিয়া
দুঃসময়ৰ বিজুলী

কুন্ধচ দেহ

চোৰ গ'লে বুদ্ধি
বৰষুণ গ'লে একা

জাপি !

আচলতে দেখি শুনি
শুনি দেখি  কৈ দিব পাৰি
হাড় ভাঙি মৰি যোৱা সুখৰ ধানডৰাত সূৰ্য নাথাকে

সূৰ্য শক্তি

মোট নসলোৱা সূৰ্যক পাবলৈ মৰিব নালাগে
মৰিব ওলোৱাতকৈ জীয়াই থকাটো কঠিন নহয়

অ' মোৰ পৰজীৱী মানুহ
মনৰ দুৱাৰ মাৰি
এবাৰ জুমি চোৱা

এই পৃথিৱী
এই নদী

পাপ নহয় অল্পজানৰ

এবাৰ জুমি চোৱা
এবাৰ জুমি চোৱা

বন্ধ চকুত নানাচে বসন্ত।■

# হঠাৎ হেৰাই যাব মন গ'লে

গাঁওখনৰ জলাশয়টোৰ পাৰৰ পানীয়ে মৰা মাছখিনি
ডেই দি মাটিত খোজ দিব খোজোতে
বালিৰ ৰ'দ পাৰ হৈ উন্মাদ নাবিকৰ দৰে
পথৰ দাঁতিত ঠিকনা পাহৰি হঠাৎ হেৰাই যাব খুজিলে
খিৰিকীৰ ইপাৰ পাৰ হৈ সিপাৰে থকা
নাৰিকলৰ পাতবোৰৰ ঝৰ্ ঝৰ্ শব্দই
জীয়াই তোলে গভীৰ শ্বাস।

উশাহ-নিশাহৰ কেৰেলুৱা ৰেল
ভগাটিং, ফটাটিং কণমানি সপোন
ক'ত মৰে ক'ত বহে
বনৰ বসন্ত !

বসন্তৰ চাকিত চিলমিল জিলমিল
সাজ ভঙা গধূলি।

চকুত চকু থৈ ভাঙি পেলাওঁ বুলিয়ে ভাঙিব নোৱাৰি
বেৰঙী সময়।

পুৰণি পোচাক খুলি নতুন হ'ব খুজিলেও
হঠাৎ আমি হেৰাই পাব নোৱাৰোঁ
আবেলিৰ চৰাইৰ মাত ।

হঠাৎ হেৰাই যাব মন গ'লেও
হেৰুৱাব নোৱাৰি
কাঁইটীয়া বাটৰ আপেক্ষিক সময়

উভতি চালে নেদেখি
বিল, জলাশয় অথবা নিজানৰ নদীখন। ■



# আকাশ, পানীজুই ইত্যাদি

জুই নজ্বলা আকাশ এখনে
মোক নিচুকনি গীত শুনায়

আমাৰে মইনা শুব এ— মই কেনেকৈ শোওঁ
বাৰীৰে বগৰী ৰুব— বাৰীত বগৰী নাই
পানীত মাত কঁপা শৰালিৰ মাত

মাত বুলিলেই নামাতে
নিলিখে আখৰ কটা নাট

জীৱনটো জখলা নথকা বাট
হাঁহিবোৰ দূবৰি তলত বহা হাট
পানীৰ চকুৰ পৰা জুইৰ চেলাউৰিলৈ এহাত এবেগেত বাট

নিচুকনি গীত শেষ হয়
জোন টোপনিওৱা আইৰ কোলাত

মোৰ টোপনি নহয়
পানীখিনি জুই হয়
ভঁৰালবোৰ নৈ

টৌ খেদি বৈ যায় পানী জুই
ডাৱৰে মাৰিব খোজে অ'জন ছাঁতিৰ ছাঁ !■

# গছজোপা হেনো বুঢ়া হৈছে

গছজোপা হেনো বুঢ়া হৈছে
চ'তত বুঢ়া, ব'হাগত মূঢ়া

ঠিক পকা পাতৰ হালধীয়াৰ দৰেই
গছজোপাৰ লঠঙা গাটোৱেও কয়-
বুকুত ঢালি যোৰা
প্ৰাচীনতম বৰষুণবোৰত মই তিতো

ৰ'দত মই মৰোঁ

তথাপিও বৰষুণক ভালপাওঁ ৰ'দৰ দৰে

তুমি বৰষুণ
মই আৰ্থ-সামাজিক জৰীপৰ শেষৰটো শূন্য ঘৰ

অথচ ডাল ভঙা গছজোপাই কান্দিছে
কাৰণ, গছজোপা বুঢ়া হৈছে ৰ'দতকৈ
মৰিছে বৰষুণতকৈ বেছিকৈ।■

# শীতৰ ছুৱেটাৰ নোপোৱা শিপাবোৰ

দেউতাৰ ডাঙৰি কঢ়িওৱা খৰখেদা খোজকেইটাৰ পিছে পিছে
লেছেৰী বুটলি দলনিৰ পৰা ঘৰলৈ  ওভতোতে
আমাক কৈছিল -
খৰকৈ ব'ল ঠাণ্ডা পৰিবৰ হ'ল

আমিও কণমানি খোজবোৰ ডাঙৰকৈ দি
ঘৰ পাইছিলোহি

মায়ে উলৰ ছুৱেটাৰটো তুলি দিছিল হাতত

মৃদু বতাহজাকে লাইপাতবোৰ কঁপাওঁতে
অথবা নাৰ্জী ফুলপাহ নচোৱাব খোজোতে ভাবিছিলোঁ -
ডাল, পাত, ফুল, ফল হোৱাতকৈ
শিপা হ'ম

খামুচি ধৰিম মাটি
লুকাই থাকি জীয়ন দিম প্ৰাণ

এতিয়া
আকৌ আঘোণ মাহ
লেছেৰী বুটলিবলৈ যোৱা নাই আমি

পিন্ধা নাই উল গুঁঠা ছুৱেটাৰ
হ'ব পৰা নাই শিপা

মাটিৰ অসুখত উভালি পৰিছে
আমাৰ গোলকীয় শিপা।■

# নদী

এলাৰ্মৰ শব্দত বিছনা এৰি
বহি নাথাকে নদী

খপজপকৈ সাৰ পাই
খেপিয়াই চায়— শব্দবোৰ বন্ধ হৈছে নে নাই

জটিল সমস্যাবোৰ জটিল কৰিব নোৱৰাটোত
কোনো জটিলতা নাথাকে

পাৰ্থক্য থাকে আন্ধাৰ আৰু আন্ধাৰৰ

পোহৰৰ বাবেই জোনে খায়
বেলিৰ ছাঁ

জোন আৰু বেলি মানেই
সম্ভাব্য পোহৰ নহয়

নদীয়ে ঘৰ কাঢ়ে
ভোকত মাৰে মৰি, মৰে

ডিট'ক্সিফিকেশ্যনৰ বাবে
বাৰীৰ ঢাপৰ শাকেই যথেষ্ট

তথাপিও— খেতিত নকমে ৰসায়ন

খেতিৰ ৰসায়ন আৰু নৈ ৰসায়নতনো
এনে কি পাৰ্থক্য আছে

সাৰ দিয়া শাকবোৰ দুদিনতে গেলে
গছ নথকা নদীবোৰে দুদিনতে মাটি ভাঙে,
গৰা কাটে, গৰা খহে

শূন্য ফলাফল বাবেই পৰীক্ষা এটা
ভুল হ'ব নোৱাৰে

সুখ মাৰে, দুখ মাতে বাবেই
নদীখনো কোনে বেয়া পাব পাৰে

নদীৰেই নাম আৰোহী
নদীৰেই নাম অৱৰোহী

আকৌ গধূলি হয়
আকৌ— এলাৰ্ম দি শুই যায় নদী।■

# ডাষ্টবিন

সকলোৰে ঘৰত এটা ডাষ্টবিন সাজে
আমি স্বচ্ছ হ'ব লাগে

ডাষ্টবিনৰ চোলাত জাবৰ
জাবৰবোৰ বুকুত সাঁচা তাৰ কাম

দপদপনি এসোপাৰ উগ্ৰ গোন্ধ লৈ
সি কাৰ কথা কয়
কোনেও জনাৰ হেঁপাহ নহয়।

শূন্যত পিষ্ট হয় মাটি
পচন হয় আকাশ

জাবৰৰ সংশোধিত আঘাতৰ আত্মাই চেপি চেপি খুন্দে ডাষ্টবিনটো
উষ্ণ চাপত হেৰাই নিসংগ কোলাহল

ডাষ্টবিনৰ শূন্যতাত শেলুবৈৰ আন্ধাৰ বন্দনা
জাবৰৰ সোণ বৰষুণে ভৰি ঘৰ লয় নঙলামুখত কোমল বৰষুণ...



অতৃপ্ত ছাঁয়া এটাই টকালি পাৰি
জিঞ্জাৰ নেজত ৰছী বান্ধি ৰং চায়

তামাচা চায় ডাঙৰ হয় মানুহ
সদ্যোজাত মানুহৰ নঙঠা মুখ

দুৰ্গন্ধৰ বাট কাটি হাতত শিপা গজে
শৈল কঠিন বিষাক্ত কীটে টানি আনে মানুহ

সাধুৰ খেলিমেলি বাট দেখি
গাতত জাবৰ পেলাব নজনা মানুহবোৰ বাটলৈ আহে

পতনুৰা ভোকে পেটটো খায়
আমাৰ নাক কাটি গুচি যায়।

নাকনো কাৰ আছে মুখতহে চলে
দুনীয়া প্ৰগতিৰ লঘোণীয়া দেশৰ জয়ধ্বনি !■

কবিতাটিৰ অডিঅ' শুনিবলৈ
স্কেন কৰক।

# সিহঁত নাহিলেও বসন্ত আহিব

পথবোৰ পকী হ'ল
মনবোৰ ধনী

পথবোৰ বহল হ'ল
মনবোৰ?

গছবোৰ থকা হ'লে
পাতবোৰ সৰিলহেঁতেন

পাত সাৰিবলৈ মানুহ লাগে

এতিয়া সাৰিবলৈ পাত নাই
বসন্তৰ বতাহ জাকৰ খবৰ দিবলৈ সিহঁতৰ
কিচিৰ-মিচিৰ চিৰিক চিৰিক মাতবোৰ নাই

সিহঁত নহ'লেও অতি বেঙুনীয়া ৰশ্মিত জিলিকা
বসন্ত আহিছে
বসন্ত আহিব

শুকান বসন্তৰ ছিৰালফাট বৈচিত্ৰ্য
আগেয়ে দেখা মনত নপৰিবও পাৰে!■

# গছৰ এক্স আৰু চৰাইৰ ৱাই

বীজগণিতৰ সাধাৰণ তত্ত্ব
অথবা পিতাইতকৈ পুতাইৰ বয়স উলিয়াবলৈ
ধৰা হয় এক্স আৰু ৱাই।

ধৰাহ'ল পদপথৰ কাষৰ গছবোৰৰ সংখ্যা এক্স
আৰু তাত থকা চৰাইৰ সংখ্যা ৱাই।

আকৌ, দেখামতে জলাশয়ৰ মাছবোৰ ফিছাবিহীন
শেলুক, চেঁচোৰবোৰ ভৰিত লাগি শৈশৱক জুমি চাব পাৰি।

আমি জানো যে
গছৰ অম্লজান আৰু চৰাইৰ সহায়েৰে
পুৱা-গধূলি ভাতৰ কাঁহী ভৰে।

শগুনবোৰে শিমলু, উৰিয়ামত ঘৰ সাজে বুলি
আপুনি কিতাপত পঢ়িছেই চাগৈ !

এই যে আমি আত্মনিয়ন্ত্ৰণৰ বাবে সংগ্ৰাম কৰোঁ
জীয়াই থকাৰ বাবে সংগ্ৰাম

ঠিক একেদৰে

ঠিক একেদৰে
দিনে দিনে দাৰ ঘাপটো অবাবতে মূৰ পাতি লোৱা
গছজোপা
মৰমী সাদৰী সুৱদি মাতেৰে গীত জুৰি থাকোঁতেই
ছিটিকাৰ আন্ধাৰত জীৱন হেৰুওৱা শৰালিজাক
অথবা ডাউকটো

পৃথিৱীৰ সবাতোকৈ নীৰৱ কৃষকজনৰ দৰেই
চৰাইজনী অথবা গছজোপাৰ কথা হয়,
অথচ কথাৰ দৰে কথা ক'বলৈ নিবিচাৰে, নকয়


চৰাইবোৰ মাৰিলে
গছবোৰ মৰিলে
মানুহবোৰ মৰি নাযাবনে ?

বহনক্ষম জীৱন মানে কি ?

গণিতত ধৰি ল'লেও সমাধান পোৱা যায়
পিছে ধৰি ল'লেই সকলো সমস্যাৰে সমাধান নাথাকে

এনেকৈয়ে থাকিলে এদিন ধৰি ল'ব নালাগিবনে !

ধৰাহ'ল পৃথিৱীত এবিধ জীৱ প্ৰজাতি আছিল
যাৰ নাম হ'ল মানুহ
অ(মানুহ)।■


সপোন, জীৱন
অথবা
অলপ আত্মবোধ...

কবিতাটিৰ অডিঅ’ শুনিবলৈ
স্কেন কৰক।

# মাৰ বাবে লিখিব নোৱৰা কবিতাবোৰৰ কবিতা

মাৰ বাবে এটা কবিতা লিখিব পৰাকৈ
মই সাহসী হ’ব পৰা নাই

মৃত্যু মানেই শেষ বুলি জানিও
মই মাৰ কথা নভবাকৈ থাকিব পৰা নাই

নাহৰৰ ফুল ফুলাৰ পৰা পুনৰ ফাগুনলৈকে
কতবাৰ কাগজৰ টঙীঘৰত খাইছোঁ, শুইছোঁ, বহিছোঁ
সেইবোৰ হিচাপ কৰিবলৈ মই তৰা ছিঙা নাই

পানীয়ে বিচৰা নৈ আৰু সাগৰত
কি থাকে— দীঘল বহল বিশাল অনন্ত

মা নৈ নহয়
নৈ মা নহয়

চকুৰ মণিত ছবি আঁকা ৰংবোৰৰ নাম— মা
চাদৰৰ আঁচলত কবিতা লিখা
দুটকীয়া, দহটকীয়া, এশটকীয়াটোৰ নাম— মা নহয়

মেটেকা এৰি
হাঁহিৰ ফুল ফুলাৰ কথা মই
কাকো ক'ব নোৱাৰোঁ

ঠিক ক'ব পৰা নাই
মা যাবৰ দুদিনৰ আগত
মায়ে মোৰ হাতখন খামুচি ধৰি থকাৰ কথা

মোৰ হাতৰ পৰা হাতখন
এৰিলে যেন আকাশখন ভাগি পৰিব মাৰ বুকুত

মাৰ বাবে কান্দিব পৰাকৈ
পৃথিৱীৰ কোনো মানুহেই সাহসী নহয়

পিতাইৰ মৰমৰ ৰঙা চকু দেখিলে
মোক বুকুত সাৱটি ধৰা হাতখন যে মাৰ হাত
কেনেকৈ পাহৰোঁ মই

এইবেলি বসন্তত কেনেকৈ যাম ঘৰলৈ
কাক পদূলি মুখৰ কপৌ এৰি মাতি যাম
— মা, অ' মা

নাজানো ক'ত হেৰাই বসন্ত
ক'ত হেৰাই হাঁহি

মাৰ বাবে অতবেলি ভাবিও
ভাবিব পৰা নাই
মাৰ বাবে কবিতা লিখিব পাৰে বুলি

অকল চকুলো টুকিব জনা মাৰ বাবে
মোৰ লেখাবোৰ আছিল অকলশৰীয়া লগৰী
গৌৰৱৰ চৰাই


অথচ মাৰ বাবে
কিবা এটা কৰিব পৰাকৈ

মই 'মই' হোৱাৰ পূৰ্বেই
মা নাই

ৰাতি ৰাতি সামাজিকত আজিকালি
প্ৰায়ে মাক লগ পাওঁ

মায়ে নামাতে
নাচায়

মই কেনেকৈ কওঁ
কেনেকৈ মাতো
কেনেকৈ ভাবোঁ
— অ' মা ব'হাগ অহা নাই।■



# ৰবি ঠাকুৰৰ নিলিখা কবিতাটো

ৰবি ঠাকুৰৰ পাকঘৰত
এখন পীৰা আছে

দিনৰ দিনটো ঠেলা চলাই
এই চানমাৰী, এই বেলতলা সকলোতে

ৰাতি ভাত খাবৰ সময়ত
পীৰাখন টানে

আৰু শোৱাৰ আগত
প্ৰায়ে বিদ্ৰোহী কবিতা এটা লিখাৰ কথা ভাবে

কেতিয়াবা সপোনো দেখে
আইনষ্টাইনে দাড়ি খজুৱাই ব্লেকবৰ্ডত কিবা এটা লিখে

ৰবি ঠাকুৰ খপ্‌জপ্‌কৈ সাৰ পাই
আঁঠুৱাখনলৈ চায়

মহ এটাই কাণত
গীটাৰ বজায়



ৰবি ঠাকুৰে কোনোদিন আকাশক প্ৰাৰ্থনা কৰা নাই
নদীক উভতি ধৰা নাই

মৰণ নিচাত তুচ্ছ মৃত্যুক
কোনোবাই জানো উভতি চায়!

মগজুৰ ভঙা পুতলাত
অলেখ অনাথ পুৱাৰ বাট গচকি
ৰবি ঠাকুৰে ৰাতিপুৱা ঠেলাখন লৈ
ওলাই যায়। ■

# শচীন টেণ্ডুলকাৰে বলিং কৰোঁতে

প্ৰশ্ন ঃ
প্ৰশ্ন বুলি একো নাই।

উত্তৰটো দিবলৈ
শচীন টেণ্ডুলকাৰে মাজে মাজে বল মাৰে।

প্ৰসংগ ঃ গেলাৰীত বহি থাকোঁতে সকলোৱে চিঞৰে -
চাচোন চা
সৌ ঘাঁহবনৰ ওপৰে ওপৰে
দৌৰি ফুৰা বলটো ক'ৰ!

সংগতি ঃ উক্ত সময়ত মই চুলি ছিঙি আশীৰ্বাদ দিছিলোঁ
তহঁত দৌৰ
ভাৰতৰ বুকুখন আৰু ডাঠ কৰ

মূল কথা ঃ শচীনে বল লৈ
হাত ঘূৰাওঁতেই
বিপক্ষই সৰিয়হ ফুলৰ খেতি কৰক
ষ্টাম্পৰ গালত

বলিঙৰ আগৰ আৰু পাছৰ কথাখিনি ঃ
অধিনায়কৰ হঠাৎ মন গ'ল
শচীনে বল মাৰক

শচীনে শাণত শিল কাটি
নদীত কাপোৰ ব'ব জানে

আকাশত ৰঙা সানি
চকুত সেউজীয়া টগবগ বেলি ফুল ৰুবলৈ ভাবে

ভাত খাবলৈ তেওঁ পাহৰিব পাৰিছিল
কাপোৰ চিলোৱাৰ কথা মনত নাছিল

বল আৰু বেটৰ কথা সপোনতো দেখিছিল।

অন্তিম বল আৰু শেষৰ অভাৰটো ঃ
শচীনৰ পিয়াহ লগা নাছিল
শচীনৰ টোপনি ধৰা নাছিল

ফপৰা কুকুৰৰ ভুকভুকনিতো
শচীনে টোপনি গৈছিল

জনাসকলৰ মতে, শচীনৰ মনটো
সেউজীয়া আছিল
নীলা আছিল

চল চাই কঠীয়া পৰা এজাক নিগনিৰ দলে
শচীনক সাংঘাতিক হিংসা কৰিছিল

টোপনিৰ সুযোগত
শচীন শুব নোৱাৰে

শচীনৰ স্পীন দেখি
বলটো ঘূৰে

বেট লোৱা মানুহবোৰ দৌৰি ফুৰিল
ইটোৰ পাছত আনটো।

সামৰণি ঃ
শচীনে বেট ধৰোঁতে সাৰে থকা মানুহবোৰ
বল মাৰোঁতে
নিৰুদ্দেশ হয়

অনুগ্ৰহ কৰি খবৰ পালে
আমাক জনায় যেন
বিপক্ষই আজি খেলিবনে

শচীন এতিয়া খুউব ব্যস্ত -
নদীৰ কাষত
আকাশৰ লগত
তৰাৰ মাতত। ■

কবিতাটিৰ অডিঅ' শুনিবলৈ
স্কেন কৰক।

# আত্মপাঠ

আমি নজনা কথাবোৰ
আমি নুবুজা সপোনবোৰক
আমিয়ে বুজিব লাগিব


পলৰীয়া সময়ৰ কাঁটাৰ আঁৰতে
আমি দেখা পাওঁ কত চিনা-অচিনা মুখ
কত চিনা-অচিনা মাত

আন্ধাৰৰ কোলাহলত ৰাতিপুৱাৰ বাছখন আহে
বাছখন ৰয়
বাছখন যায়

বাছখনত মানুহ উঠে, বহে। বহুত মানুহ !

মুখৰ মিঠাত লানি-নিছিগা পৰুৱাৰ দৰে
আমি বাছত উঠিব নোৱাৰোঁ
এডোঙা গোটা বন্ধা তেজৰ সমুখত ৰৈ
মই গাব নোৱাৰোঁ সমবেত সংগীত

অসহনীয় সময়ক নস্যাৎ কৰি
মই উৰিব পাৰোঁ



অসহনীয় আন্ধাৰৰ মাজতো শেৱালি আৰু বকুলৰ সুবাসত
মই মোক চাব পাৰোঁ

নাজানো মোৰ সমুখত মই কেনেকুৱা
ৰঙা, বগা নে সেউজীয়া। হয়তো কজলা!

অথচ মোৰ সন্মুখত ৰৈ মোৰ বিৰুদ্ধে প্ৰতিবাদ কৰা
মোক মই সদায়ে লগ পাওঁ

মাজনিশাৰ বতাহে গছপাতৰ আঙুলিত বতাহ ঢালে বাবেই
মই মোক মোৰ পৰা আঁতৰ কৰিব নোৱাৰোঁ।

মই হ'ব পাৰোঁ
কেৱল মোৰ দৰে
মোৰ সৈতে। ■

# ক'বলগীয়া নক'বলগীয়াখিনি

ক'বলগীয়া বহু কথা থাকে বাবেই আমি কৈ থাকোঁ
শুনিবলগীয়া মানুহ কম বাবেই আমাৰ কথা নুশুনে

কথা শুনিনো কৰিব কি!

ডিঙিৰ ওপৰৰখিনিত আমাৰ এটা আহল বহল ঘৰ আছে
মগজুৰ অগ্ৰ, মধ্য, পশ্চাতে কথাবোৰ ভাগ-বতৰা কৰে

স্নায়ু সবল হে মানে মগজু মৰে!

অবাটো এটা বাট বুলি বহুতেই নাভাৱে
আচলতে ভবা মতে নহয় বাবেই বহুতে বাটক অবাট বুলিয়েই ভাবে

এই কথাও ঠিক সঁচা যে আমাক এটা বাট লাগে
ছাইৰেণৰ শব্দত বাট এৰি দিবলৈ, মাইকৰ বিকট শব্দত নামি যাবলৈ

বাটৰ স্খলন অথবা উদগমন
শিল বালি আলকতৰাই জানে

বাঁহ আৰু কাঠেও জানে- দলঙৰো কথা থাকে। ■

কবিতাটিৰ অডিঅ’ শুনিবলৈ
স্কেন কৰক।

# নুনি পকিছে সৰু

অতদিনে ঘৰলৈ কিমান বসন্ত আহিছে গৈছে
ঠিক নাই। বসন্তৰ জানো হিচাপ ৰাখে কোনোবাই!

শিমলু ফুলাৰ শেষত কিমানে জানো
তুলাৰ সাধু!

সাধু মানে কিংবদন্তি

মাটিৰ ডলি-চপৰা গচকি নোপোৱালৈকে ভাবিব পাৰি
খেতি কৰাটো একেবাৰে সহজ কথা


বনগীত এটা জুৰিলেই ঘূৰি চাপি আহি থাকে
বলধকেইটা

ঠিক আবতৰীয়া বানৰ দৰেই নুনি নথকা দিনত তই যে বিচাৰি
চলাথ কৰিছিলি ৰঙা-পকা নুনি
সেই নুনি পকিছে সৰু

আচলতে সৰু,
নুনি ভালপোৱা মানুহে নুনি ছিঙিব নোৱাৰে
বসন্ত ভালপোৱা মানুহে কপৌ

পদূলি মূৰত এইবেলি হুঁচৰি নোযোৱে
কোন ক'ত কেনেকৈ আছে তেনেকৈয়ে থাক
অৰণ্য, সাগৰ, নাবিক!

নুনিবোৰ ৰঙা হৈ পকিছে সৰু
আকৌ যদি সাৰ পায় আকাশ
একেলগে বহি ভগাই খাম দে
ৰঙা পকা কেঁচা সেউজীয়া নুনি! ■



# বৰশী

বৰষুণ নিদিয়া বাবেই
ছাতি এটাৰ কথা ভবা নহয়

অৱশ্যে ছাতি লৈ বৰষুণত খোজ কঢ়াতকৈ
ছাতি জপায়ো বৰষুণত আগবাঢ়িব পাৰি

ৰাতিপুৱাবোৰত সকলো সময়তে
আহিনৰ ঠাণ্ডা নাথাকে বাবেই আহিন মোৰ প্ৰিয়

আপোনাৰো প্ৰিয় নেকি?

কঁহুৱা বনৰ পৰা বনচিৰিকা এজাক উৰিব ধৰোঁতেই
আপুনি পাৰ হৈ গ'লে সিহঁত ভয়তো উৰিব পাৰে

যিহেতু ভবা মতেই
দেখাতো শুদ্ধ নহ'বও পাৰে

কাউৰী এটাই গান এটা গালে
সহজতে কোনেও কবিতা লিখিব নোৱাৰে

কলপাতত আখৰ লিখা ৰাতিপুৱাটোত
চোতাল ভঙা মানুহৰ মাতবোৰে
খেদি ফুৰে মোৰ বৰলে বেৰা ঘৰ

বৰশীত দেখোন সিদিনা ময়ে দিছিলো খোঁট। ■

# নিমখ

নিমখে পুৰি নিছে
জিভাৰ জুতি

খাই থকা মানুহবোৰে থুৱাইছে
ভাতৰ কাঁহীত বাৰটা গান্ধী পোক

নৈ পাৰৰ টঙীঘৰৰ নিমখে নিবিচাৰে সাগৰ
বাৰীৰ জলকীয়া মাৰি ঘৰৰ নাও উটি গৈছে বাৰীৰ চুকত

মানুহ নোহোৱা হোৱাদি
নোহোৱা হৈছে সোৱাদৰ নিমখ

মূৰ দাঙি সাগৰত বহি আছে
নেগুৰীয়া শামুক- উৎপতীয়া, চঞ্চল। ■

# উৰি অহা কবিতা এটা

কবিতা এটা লিখোঁ বুলি লিখা নহয়
লিখোঁ বুলি লিখা নহয় বাৰিষাৰ গোন্ধ - কেনেকুৱা !

হাত ধুবলৈ পানী নাই
খাবলৈ ভোকত...

কবিতানো ক'ত নাথাকে
হাতত বা মুখত

কবিতা লিখিবলৈ পিন্ধিব নালাগে হলৌ চোলা
ফুৰিবলৈ নালাগে বিলাতী বাহন

ইমানপৰে কৰি থকা যুদ্ধবোৰতে লিখা থাকে — কবিতা
ভালপোৱা আৰু প্ৰতাৰণাৰ ঠিক চিঞৰৰ কাষতে থাকে - কবিতা

দুপৰৰ পত্ৰহৰিতৰ পুৰণি সাধুবোৰে

খুলি খুলি খায়
মেটেকাৰ শিপা আৰু আঁহতৰ ছাঁ

ইমান পৰে লিখিব নোৱৰা কবিতাটো ঠিক পত্ৰহৰিতৰ দৰে
চুলিবোৰ দীঘল হৈছে
দাঁতবোৰত হালধীয়া ৰং ধৰিছে
নখবোৰো বাঢ়িছে

তথাপিও চহৰখনত কাৰোৰেই খবৰ নাই
কবিতা কেনে আছে?

লিখোঁ বুলিয়েইতো কবিতা লিখা মানুহবোৰে
সেয়েহে নাজানে— কবিতা ক'ত থাকে
— কেনেকৈ থাকে
— কেনেকৈ মৰে
— কেনেকৈ জীয়ে।■

কবিতাটিৰ অডিঅ’ শুনিবলৈ
স্কেন কৰক।

# হয়তো পিতাই শিক্ষক আছিল বাবেই

হয়তো পিতাই শিক্ষক আছিল বাবেই বুজি পাইছিলোঁ
চাইকেলৰ টিলিঙাৰ শব্দৰ সাধু

বিনা বেতনেৰে দহ কিল’মিটাৰ আঁতৰত
সপোন আঁৰিবলৈ
হাল মেলি খৰধৰকৈ গৰম ভাত এমুঠি
মুখত গুজি লৰ দিয়া
সময়ৰ দৌৰ

হয়তো পিতাই শিক্ষক আছিল বাবেই
দৰ্শনৰ প্ৰসংগত
অনুষংগ চকুৰ পানী-মাটি
মই মনে মনে দেখিছিলোঁ

হয়তো পিতাই শিক্ষক আছিল বাবেই
প্ৰতি দেওবাৰে চিমেণ্টৰ বস্তাত হাটলৈ যোৱা
লাই-মূলা আৰু পিতাইৰ খোজবোৰৰ সৈতে
পঢ়া টেবুলৰ সম্পৰ্কবোৰ জানিছিলোঁ

দেখিও দেখা নাছিলোঁ - পিতাইৰ শেতা ওঁঠ
পিতাইৰো মন থাকিব লাগিছিল

ভাল এসাজ কাপোৰৰ
ভাল এসাঁজ ভাতৰ !

পিতাইক সময়ে দিলে -
আমাক সুখী কৰাৰ বৰগছৰ ৰূপ
আমাৰ বাবেই পাহৰিব পৰা শোক

পিতাই শিক্ষক আছিল বাবেই
ভেঞ্চাৰ স্কুলৰ সংজ্ঞা সৰুতেই বুজিছিলোঁ

ডাঙৰ হৈ বুজিলোঁ-
পঁচিছ বছৰে বিনা বেতনে শিক্ষক হৈ
স্কুল এৰি পুনৰ খেতিত কঠীয়াৰ ফচল সিঁচাৰ জীৱন

হয়তো পিতাই শিক্ষক আছিল বাবেই
শিক্ষকৰ মাজৰ শিক্ষকজনক দেখিছিলোঁ
আদৰ্শৰ নিতিতা সংকল্পৰ লঠঙা গছবোৰতো
বুকু ফিন্দাই যোৰা কপৌফুলৰ খোজৰ ছাঁ

পিতাই শিক্ষক আছিল বাবেই ময়ো
এজন শিক্ষক হ'ব খুজিছিলোঁ
এনে নহয়

পিতাইৰ মুখৰ মাজতে মই
শিক্ষক আৰু মমৰ পৃথিৱীখন আঁকিছিলোঁ

মই জানিছিলোঁ
পিতাই শিক্ষক হোৱাটো কোনো দিনেতো
নাছিল ভুল!■

# অলপ ৰঙৰ বাবেই

অলপ ৰঙৰ বাবেই আমি আহত হৈ
এবাৰলৈ ঘূৰি চাব নোখোজো
ৰামধেনু

ৰামধেনুৰ বিজ্ঞানত ওপঙি নাথাকে
ওপঙনৰ চৰ্ত
ক'লা আৰু কলাটো সমকোণ নহয় !

বৰযুণৰ বৰযুণত তিতি তিতি ওমলি থাকে
চকুৰ ৰামধেনু

আচলতে ৰামধেনুৰ পাছতো
এখন ৰামধেনু থাকে
বতাহত নকঁপা
ৰ'দত নবহা

সেয়ে হয়তো আমি নেদেখোঁ , নাচাওঁ
কাৰণ, আমি বতাহত উৰি, ওপঙি ভালপোৱা
মাটিপুতলাৰ সাধু।■

# মুখত এধানি হাঁহি লৈ

প্ৰতিজন মানুহে নীৰৱে কান্দি থাকে
মুখত এধানি হাঁহি লৈ

মুখ চায়ে সেইবাবে আমি
কৈ দিব নোৱাৰোঁ সুখৰ অসুখ অথবা অসুখৰ বৰষুণ

হালি কাটি জালি দি
চোমনিৰ মাজত বহি জোমা বান্ধে মুগা

শোৱালুৰ পাতত বহি ক'ৰ পৰা আহে
কলখাতি এজাক

মুগাবোৰ পখিলা হৈ উৰি
গুচি যায় হাঁহিবোৰে

মনে মনে নেদেখাকৈ কান্দিবলৈ চায়
নীৰৱে হাঁহিও কান্দি পেলায়
মুখত এধানি হাঁহি লৈ...■

# হঠাৎ কেতিয়াবা বুকুখন কঁপে

হঠাৎ কেতিয়াবা বুকুখন কঁপে
ধক্ ধক্ ধক্

কালিৰ বহু কথাৰ কথাখিনি
আজি মই হেৰুৱাই পেলাইছোঁ


হেলনীয়া চকীখনৰ ভাঁজৰ পৰা
সুলকি পৰে একো একোটা মুখা

মত-বাদ-বিবাদৰ স'তে বৈ আহে
দ্ৰুতগামী তেজখোৱা ৰঙা জোক

মুখাবোৰ লাহে লাহে খোল খায়
মকৰাজালত ফুলি ফুলি ক্ষান্ত নহয়
বেলিৰ ছাঁ গুচোৱা
ছাঁ

ছাঁৰ পৰা মূৰ নোতোলাকৈ
মুখৰ গোন্ধ সহজে ধৰিব পাৰি

মগজুক বিহ পৰুৱাৰ গাতৰ দৰে মোহাৰি



চকুপানীৰ চিঞৰবোৰ লিখিব নোৱাৰি

টিক টিক ঘড়ীৰ কাঁটাৰ শব্দ শুনিলেও
হঠাতে বুকুখন কঁপি উঠে
ধক্ ধক্ ধক্

অলপতে, যেতিয়া দুপৰীয়া আছিল সময়
তেতিয়াই  ঘৰমুৱা শৰালিৰ চিঞৰবোৰৰ দৰে
পদূলি পুখুৰীৰ বকুল অথবা শেৱালিজুপিয়ে
নেদেখাকৈ থাকে
সেউজীয়া পাতবোৰ নাচনী হৈ
দ্ৰুত গতিত কেনেকৈ বতাহ-সোঁতত আগবাঢ়ে

তথাপিও, মোৰ বুকু কঁপে
ধক্ ধক্
ধক্ ধক্।■

## তলা

ভবা নভবাৰ সকলো পথ পাৰ হোৱাৰপাছতো
সৰু তলাটো থকাৰ কথা ভাবিয়ে
আমাৰ কোনোদিনে চিন্তা নহয়

টোপ টোপ বৰষুণ পৰিছে
আকাশ জুৰি বতাহ বলিছে

গৰখীয়া গৰু চৰায় উভতি অহাৰ
সেই খোজবোৰৰ দৰেই
তলাটো ঘৰত থাকিলে আমি
আপোন পাহৰা হৈ পৰোঁ

কণমানি তলাটো আমাৰ বিশ্বাসী হৈ পৰে
উশাহ, চকুলো, পোহৰতকৈ
আনকি নিজতকৈও

সকলো ঠিক কৰাৰ পাছতো কাহানিবা অৱশ্যে
আমি মনত পেলাব নোৱাৰোঁ
তলাটো বাৰু দুৱাৰত লাগিলনে
এনে লাগে যেন কিবা অজান দুখত
ভৰ দুপৰতে বাহলৈ ঘূৰি আহিছে বগলীজাক
নাও বান্ধি উভতিছে নদীয়াল

আৰু হঠাতে জেপৰ তলিৰ খুচুৰা পইচাটোত
ঠেকা খাই মাত দিয়ে
চাবিটোৱে

এনে লাগে যেন
মই এবেলি শান্তিৰে গচকিব পাৰিম
মোৰ ছাঁৰ ভাস্কৰ্য

নজনাকৈয়ে তলাবোৰ
সবাতোকৈ বিশ্বাসী হৈ উঠে
ঠিক বোকাৰ মাজত
পানীৰ চুঙা এটা দেখি
উশাহ ঘূৰাই পোৱাৰ দৰে।■

# এটা প্ৰেমৰ কবিতাৰ দৰে

*‘তিকাঝাৰ কৰ বাকা আষাঢ় মাসায়*
*কৰ বাকা তালায়ানি জনাৰ মতাই*
*আশা তেৰা, কৰ এৰা আতা ৰেকনা থপ*
*বিছিং তংনা আপা আপাচানা ৰেকনা জপ।’*

ফুলে-ফলে বৰষুণ হোৱা
আহাৰৰ চোতালত বহি আছা তুমি

আহাৰৰ গাত আজাৰৰ ঘৰ

লহপহীয়া ঘৰবোৰ— প্ৰেমৰ
শীত শীতল ঘৰবোৰ— সুখৰ

আজাৰৰ ফুলত ওলমে
ৰঙা জিঞ্জা

তুমি— ৰঙা জিঞ্জা

প্ৰেমৰ ৰং ৰঙা
শিমলুফুলীয়া

প্ৰেম— তুমি

তোমাৰ ওঁঠৰ লাজুক হাঁহিৰ খিৰিকীৰ পোহৰত
মই দেখিছিলোঁ—
বৰষাই ধুই যোৱা কুঁৱলী বনত
তুমি বহি আছা

তুমি— কুঁৱলী
তুমি— নিয়ৰ

মই  কুঁৱলী ভালপাওঁ
ভালপাওঁ নিয়ৰৰ চেঁচা

নিজান পোহৰত এয়া তুমি গাইছা—
*দু'ৰাছান দৎনি বাদেন অ' আৰাদে*
*দু'ৰাছান দু'ৰাছান লিনি বাদেন অ' আৰাদে*

ভালপোৱাৰ
অন্য কোনো নাম নাথাকে

তুমিতো জানা

তুমিতো জানা
ভালপোৱা ৰ'দৰ পোহৰ
জোনৰ গধূলি

ভালপোৱাৰ বাবেই জী উঠে সকলো
—নদী
—পোহৰ
—বতাহ
—সেউজীয়া

আনকি
ভালপোৱাও ।■

**শব্দাৰ্থঃ**
তিকাঝাৰ কৰ বাকা আষাড় মাসায়
কৰ বাকা তালায়ানি জনাৰ মতাই
আশা তেৰা, কৰ এৰা আতা ৰেকনা থপ
বিছং তংনা আপা আপাচানা ৰেকনা জপ।
**অৰ্থঃ** *নৈৰ ভাষা আছে, কথা কয়- আহাৰ মাহত।*
*পশুৰো ভাষা আছে।*
*মোৰ বহুতো আশা আছে, ক'বলৈহে ভাষা নাই*
*কাকনো ক'ম - এইখন ঘৰত মই অকলশৰীয়া।*
*(কোচ বাৰমাহী গীত)*

দু'ৰাছান দৎনি বাদেন অ' আৰাদে
দু'ৰাছান লিনি বাদেন অ' আৰাদে

**অৰ্থঃ** পূৰা সূৰ্য উঠাৰ বাবেই আবেলি মাৰ যায়
বেলি মাৰ যোৱাৰ বাবেই জোন ওলায় ।
(কোচ লোকগীত)

কবিতাটিৰ অডিঅ' শুনিবলৈ
স্কেন কৰক।

# মা

লাহেকৈ পকা চুলিৰ বগা ৰঙবোৰ চাবলৈ
আইনাৰ সন্মুখত বহি থাকে মা

আইনাৰ কাষৰ চকীখনত পৰি আছে কেইটামান ধান
নাতিদূৰত অলপ খেৰ

মায়ে কোৱা সাধুবোৰৰ মতে
বহুদিনৰ বিৰতিৰ পাছত
ক'লা হয় কাপোৰ-কানি
ধান খেৰবোৰ পৰি থাকে বাৰীৰ পাছত

এনে হয় বাবেই ধান আৰু খেৰৰ পাৰ্থক্য থাকে
ঠিক হাতৰ পৰা হাটৰ দৰে!

ধানৰ পৰা চাউল হয়
খেৰে পেট ভৰায় — গৰুৰ

গৰুৱে হাল বায়

জীৱনটো ক'লা আৰু কলা
তত্ত্ব আৰু প্ৰদত্ত কথাবোৰত যুক্তি থাকে

যুক্তি থকা মানেই তাৰ অন্য এটা উত্তৰো থাকে

উত্তৰ নথকা প্ৰশ্নবোৰ আইনাৰ আগত নাথাকে
সেইবাবেই যুক্তিশূণ্য কথাৰ কথাও শুনা মনত নপৰে

মাৰ ভালপোৱাত স্বাৰ্থ নাথাকে
যিহেতু প্ৰেম স্বাৰ্থৰ ব্যস্তানুপাতিক

জীৱনবোধ অথবা কৌশল বিষয়ক সাধু কথাৰ অলপ পাছতে
আমি পঢ়িব পাৰোঁ — প্ৰজনন, পোহৰ অথবা বিৱৰ্তন

আমাৰ বাবে ধান আৰু চাউলৰ মাজত পাৰ্থক্য আছে
আমাৰ বাবে মাটি আৰু আকাশ একে নহয়

আকাশৰ ৰং হেনো — নীলা
(নহ'বও পাৰে)

কিন্তু মাৰ এনে কোনো পাৰ্থক্য
নাথাকে

ইমান দুপৰত
মই পানীৰ পৰা ধোঁৱা ওলোৱা নেদেখোঁ
ইমান নিশা
পানীবোৰ জ্বলি থাকে— মই তাকো নেদেখোঁ
(পানীৰো ৰং থাকিব পাৰে)
কিয়নো মা পানীৰ দৰে নহয়
মাৰ ৰং মাথোঁ মাৰঙীয়া

মায়ে কোৱামতে
নতুনকৈ ভাবি থকা কথাবোৰত বিশেষ নতুনত্ব নাথাকে

নতুনকৈ কৰি থকা কামবোৰ পুৰণি যেন নালাগে

(নতুন মানেই নতুনত্ব নাথাকিবও পাৰে)

মায়ে শিকাইছিল
ষ্টাইল শব্দটো যদিওবা ইংৰাজী — আমাৰ নিজৰ যেনেই লাগে

চখনো কি !
টেবুলক জানো মেজ বুলি মাতে!

(আপোনালৈ চাই মতা মানেই আপোনাক নামাতিবও পাৰে)

আকৌ,
নোহোৱা কথাবোৰ হ'বলৈ যিমান পৰ লাগে
হোৱা কথাবোৰ নোহোৱা হ'বলৈ সিমান বালিৰ ঘৰ সাজে

(বালিৰ ঘৰ মানেই ভাঙি নাযাবও পাৰে)

বিঃ দ্ৰঃ-
ইমান পৰে লগ নোপোৱা
আপোন মাজনী আপোনাৰ মুখৰ কাষতে আছে
এবাৰ চুই চাব
আপোনাৰ বাহুত হাত থৈ সুধিবও পাৰে —
পৰীক্ষা কেনে হৈছে সোণামুৱা
একা-বেঁকা নদীখনৰ দৰে
নে থিয় গৰাটোৰ বাবে!■

# খেল

কেইবা ৰাতিও ধৰি
গাঁৱৰ বাটটো নিজান

ফেঁচাই মাজে মাজে চিঞৰে —
'মোক মাতিবলৈ দিয়া'

ফেঁচাৰ মাতত নুপুৱায়
নামাতে পুৱাৰ ৰ'দ-বাঁহী

পুৱালৈ প্ৰায়ে এখন
খেল আৰম্ভ হয়

সকলোৱে যেতিয়া দুৱাৰ খুলি বাহিৰলৈ চায়-
কোনেও কাকো নেদেখে
সমস্বৰে চিঞৰে মাথোঁ — ধন্যবাদ সময়

বোধকৰো প্ৰকৃতিয়ে
খেল খেলি ভাল পায়

ৰেফাৰী নেদেখি আমিও
খেলি আছোঁ
খেলি থাকোঁ

ব্যস্ত খেলপথাৰৰ অনুবাদ নোহোৱা শকতি

বেজী এটা কিনি তাত
ৰছী এডাল আঁৰিছো
চাইকেলখনত বহি বেগটো পিঠিত ওলোমাই
পেডেল ঘূৰাইছোঁ
বৰ্ডত আখৰ লিখি থাকোঁতে
সকলোৰে নিশ্চুপ হৈ চাই আছোঁ

খেলবোৰ এনে বুলিয়ে ভাবোঁ

সাগৰৰ পাৰত খেলি থাকোঁতে সম্ভৱতঃ আমি
এখন পথাৰৰ মাজত দৌৰাৰ কথা পাহৰি পেলাওঁ

নদীৰ কথা মনত নেপেলাওঁ
সাগৰলৈ জুমি চাওঁ

সময়ৰ ছবিঘৰত
জমি উঠে খেলৰ ছবি আৰু চাবি
দীঘল হয় আকৌ — নিজান ৰাতি।■

## লকডাউন

লাহে লাহে বুকুখন মোচৰ খাই আহিছে
এনেকি বুকুৰ ধপধপনি থকালৈকেহে মানুহ জী থাকে

গছবোৰত মেৰিয়াই ধৰি আছে
এজাক সৰীসৃপ
এটা মৰা উশাহ

উশাহ-নিশাহৰ আস্ফালনত
শব্দাতুৰ হ'ব পাৰে চাহৰ চুমা

কথাতেই কয় —
চাহৰ চেঁচা আৰু মাছৰ কেঁচা খাব নোৱাৰি

ঘপহকৈ বন্ধ হ'ব পাৰে ৰ'দ

বৰষুণ
বতাহ

জ্বলি উঠিব পাৰে
শ্মশানৰ নিজান চিতাবোৰ

বাট হেৰুৱা পৰুৱাবোৰ
ঘপহকৈ উঠি ল'ব পাৰে গছত
সৰীসৃপৰ দেহত

চৰায়ে মতা সময়বোৰত
উলংগ হয় যদি কুঁহি মেলা
বসন্ত

হয়তো বসন্তৰ বাবেই বসন্তই কঁপাব এদিন
মেঘ আৰু বিজুলী

জুই খোৱা সূৰ্যই
ৰং নেহেৰুৱায়

মানুহৰ খঙত
মানুহৰ বাবে
বগা - ক'লা হৈ বিস্ফোৰণ ঘটিব পাৰে মাথোঁ
মানুহে নগঢ়া মানুহৰ পৃথিৱী

তথাপিও মানুহ প্ৰেমত পৰে
প্ৰেমত পৰিব

হয়তো আকৌ গাব -

*অ ছিৰি অ ছিৰি ফুই*
*জমাং মুকজোক নামুং লুজুমনিঅ*


*ভা'এনি  কুচুৰি নিছাম চাম্বুকি তান্ত্রা*
*আনি নকে কিলাং ফুইনাং খৰ্খৰায় হাওনা।* ■

**শব্দাৰ্থঃ**
অ ছিৰি অ ছিৰি ফুই
জমাং মুকজোক নামুং লুজুমনিঅ

ভা'এনি  কুচুৰি নিছাম চাম্বুকি তান্ত্রা
আনি নকে কিলাং ফুইনাং খৰ্খৰায় হাওনা।
(অ' চেনাই আহা
সপোনত তোমাৰ স'তে একেলগে ফুৰি থকা দেখা পাইছোঁ

পথাৰৰ মেটেকা শাক বুটলি আনিছোঁ
মোৰ ঘৰলৈ জোঁৱাই হৈ আহিলে ভাঁজি কৰি খুৱাম।)
(কোচ গীত)


## লেখকৰ অন্যান্য গ্ৰন্থ সম্ভাৰ




**কুঁৰলীৰ আখৰ এথুপি**
প্ৰকাশকঃ কস্তুৰী প্ৰকাশন





**তোমাক ভালপাওঁ বাবেই**
প্ৰকাশকঃ কস্তুৰী প্ৰকাশন





**তেজত গজা দুপৰীয়াটো**
প্ৰকাশকঃ নক্সা



**তুমি ৰ'দ হোৱা মই বৰষুণ হ'ম**
প্ৰকাশকঃ নক্সা




**এই সময় আমাৰ**
প্ৰকাশকঃ শংকৰদেৱ প্ৰকাশন





সংকট-সম্ভাৱনাৰ আলিবাটেৰে
**মানুহ আৰু প্ৰকৃতি**
**প্ৰকাশক ঃ** জাগৰণ সাহিত্য প্ৰকাশন





**কেনেকৈ এইবোৰৰ বিকাশ ঘটে** (অনুবাদ)
**প্ৰকাশক ঃ**নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া




**পৰ্বতত এভুমুকি** (অনুবাদ)
**প্ৰকাশক ঃ**নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া




**হাড় গৈ শিল হ'ল** (অনুবাদ)
**প্ৰকাশক ঃ**নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া



**প্ৰকৃতিৰ জমাদাৰ**
**প্ৰকাশক ঃ** এনভাইৰণ টকচ্

কমসংখ্যক কবিতা লিখিলেও নিবিড় অনুৰাগ মানস অত্যন্ত পৰ্যবেক্ষণশীল আৰু চিন্তাক উপলব্ধিৰ পৰ্যায়লৈ উত্তোলিত কৰি টাইম-স্পেচৰ ধাৰণাক কৈ নিজা পৰীক্ষণেৰে কবিতা লিখা কবি। বিজ্ঞানৰ ঘাই দিশ যুক্তিনিষ্ঠতা তেওঁৰ উপলব্ধিৰ পোহৰত পৰীক্ষিত হোৱা দেখা যায়। ঐতিহ্যৰ প্ৰতি তেওঁৰ অনাহক আসক্তি নাই যদিও ঐতিহ্যক অস্বীকাৰ নকৰি বৰং কাৰ্য-কৰণ সম্পৰ্কৰ আধাৰত পৰীক্ষা কৰিব খোজে তেওঁ। প্ৰকাশভংগীৰ দিশৰ পৰা তেওঁৰ কবিতাবোৰ চিত্ৰপটৰ দৰে, বৰ্ণবিন্যাস বহুস্তৰবিশিষ্ট।

- মৃদুল শৰ্মা

নিবিড় অনুৰাগ মানসৰ সাম্প্ৰতিক কবিতা-গুচ্ছৰ মূল অনুপ্ৰেৰণা হৈছে বিশ্বায়ন আৰু সাম্ৰাজ্যবাদৰ কেকোঁৰা-চেপাত বিপৰ্যস্ত হৈ, প্ৰায় ভংগুৰ ৰূপ লোৱা অসমীয়া দৰিদ্ৰ আৰু নিম্ন-মধ্যবিত্ত লোকসকলৰ জীৱন আৰু জীৱন-সংগ্ৰাম। তেওঁৰ কবিতাত সাম্প্ৰতিক অসমীয়া কবিতাৰ শেহতীয়া অনুনাদবোৰ ধ্বনিত হ'লেও, কবিৰ কাব্য-ভাষা সুকীয়া আৰু নিয়ন্ত্ৰিত। সেয়ে বিষয় আৰু বিষয়ীৰ অসৰল আন্তঃসম্পৰ্কৰ বাবে আৰু তাৰ লগে লগে তেওঁ বাছি লোৱা কাব্য-শৈলীয়ে কবিতাবোৰক সুখপাঠ্য কৰি তুলিছে। অসমীয়া লোক-জীৱন, লোক-স্মৃতি আৰু লোক-বিস্মৃতিয়ে কবিৰ আত্মাক চুই যোৱাৰ বাবে তেওঁৰ কবিতাবোৰ হৈ পৰিছে অতীত আৰু বৰ্ত্তমানৰ অসমীয়া জনজীৱনৰ একো একোখন সঁচা, জীয়া ছবি। কবিতাবোৰত প্ৰায়েই সবল ৰূপত পৰিস্ফুট হৈ উঠিছে কবিৰ সহজ-সৰল আবেগ-অনুভূতিসমূহৰ একো একোটা উজ্জ্বল প্ৰতিবিম্ব; যিয়ে নিৰালম্বভাৱে তেওঁৰ কবিতাক কৰি তুলিছে সাবলীল আৰু বক্তব্যপ্ৰধান।

- কমল কুমাৰ তাঁতী

কবি অনুৰাগ নিবিড় মানসৰ কবিতাত ভাটৌৰ দৰে আওৰোৱা তথাকথিত cliche বা mannerismৰ যান্ত্ৰিক আঁচোৰ নাই। ই তৰুণ কবিৰ কাব্যকৃতিৰ এক উজ্বল দিশ। নিবিড় অনুৰাগ মানসৰ কাব্যানুৰাগ বেচ গভীৰ। কবিতা-সাহিত্য ভালপোৱা সংস্কৃতিপ্ৰাণ মানুহখিনিৰ ওপৰত নিবিড়ৰ আস্থা আছে। নতুন সৃষ্টিৰ যি প্ৰবল ধাউতি সেয়া নিশ্চয় আদৰণীয়।

- ৰুদ্ৰ সিংহ মটক

ISBN 978-936076292-6

প্ৰচ্ছদ- হোমেন শইকীয়া